


গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ৩০ মে', ২০২৫/১৫ জেঠ ১৯৪৩ শক ● দাম ২.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৬ ● Vol - 14, Issue - 6

# ৰে'ল পৰিবহণৰ সমস্যা দূৰীকৰণৰে আন্তঃগাঁথনি সম্প্ৰসাৰণৰ আহ্বান মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## দিল্লীত কেন্দ্ৰীয়মন্ত্ৰী ৰেড্ডী আৰু অশ্বিনী বৈষ্ণৱক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ




**নতুন দিল্লী ঃ** অসমৰ ভূগৰ্ভত থকা খনিজ সম্পদৰ সদ্ব্যৱহাৰ বিচাৰি দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় কয়লা আৰু খনিমন্ত্ৰী জি কিষাণ ৰেড্ডীক সাক্ষাৎ কৰে। শাস্ত্ৰী ভৱনস্থিত ৰেড্ডীৰ বিভাগীয় কাৰ্যালয়ত অনুষ্ঠিত উক্ত বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ পৰা বেছিকৈ খনিজ সম্পদ আহৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে নতুন খনিজ সম্পদৰ সন্ধানৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। আনহাতে ৰাজ্যত নতুনকৈ স্থাপন কৰিবলগীয়া ১০ পৃষ্ঠাত



# ওদালগুৰিত মথাউৰিৰ কামৰ বুজ লয় মন্ত্ৰী পীযুষ হাজৰিকাই

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ বানপানী সমস্যা প্ৰায় নোহোৱা হৈছে ঃ মন্ত্ৰী হাজৰিকা



**ওদালগুৰি ঃ** জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই ওদালগুৰি জিলাত গোলোণ্ডী নদীৰ পাৰৰ এটা ভঙা মথাউৰিৰ মেৰামতিৰ কামৰ অগ্ৰগতিৰ বুজ লয়। আধুনিক প্ৰযুক্তিৰে অসমৰ বান প্ৰৱণ জিলাসমূহৰ বান প্ৰতিৰোধী আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে জলসম্পদ বিভাগে লোৱা পদক্ষেপৰ ই এটা অংশ। ভ্ৰমণকালত সংবাদ মাধ্যমক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ভূটানৰ পাহাৰৰ পৰা নামি অহা বানপানীয়ে বাৰে বাৰে গোলোণ্ডী নদীৰ মথাউৰি ভাঙি পেলাইছিল, যাৰ ফলত চাৰিওফালৰ অঞ্চলসমূহ প্লাবিত হৈছিল। তেওঁ কয় যে এই সমস্যাৰ সমাধানৰ বাবে জলসম্পদ বিভাগৰ ওদালগুৰি সংমণ্ডলে নদীখনৰ সোঁপাৰে ৪.৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ পূৰ্ব নিৰ্মিত মথাউৰি (ৰেডি মেড মথাউৰি) স্থাপন কৰিছে। তেওঁ লগতে কয় যে এই মথাউৰি অধিক ১০ পৃষ্ঠাত

# কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ গুলীত প্ৰাণ হেৰুওৱা গুজৰাটৰ ছুৰতৰ শৈলেশভাই হিম্মতভাই কালাঠিয়াৰ বাসগৃহত মন্ত্ৰী পীযুষ হাজৰিকা



**ছুৰাট, গুজৰাট ঃ** বিগত ২২ এপ্ৰিলত কাশ্মীৰৰ পেহেলগামত পাক সমৰ্থিত সন্ত্ৰাসবাদীৰ গুলীচালনাত প্ৰাণ হেৰুওৱা গুজৰাটৰ তিনিগৰাকী প্ৰয়াত ব্যক্তিৰ পৰিয়ালক অসমবাসীৰ হৈ সমবেদনা জনোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে অসমৰ জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা বুধবাৰে গুজৰাটত উপস্থিত হয়। মন্ত্ৰী হাজৰিকাই অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়া ড° ওম প্ৰকাশৰ সৈতে গুজৰাটৰ ছুৰাটত উপস্থিত হৈ বিগত 'পেহেলগাম সন্ত্ৰাসবাদী কাণ্ড'ত প্ৰাণ হেৰুওৱা শৈলেশভাই হিম্মতভাই কালাঠিয়াৰ বাসগৃহত তেখেতৰ পৰিয়ালৰ সদস্যসকলক অসমবাসীৰ হৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰী হাজৰিকাই অসম চৰকাৰৰ মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি ভুক্তভোগীগৰাকীৰ পৰিয়াললৈ পাঁচ লাখ টকাৰ এককালীন সাহায্যৰ চেক আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শোকবাৰ্তা সম্বলিত বিশেষ পত্ৰ প্ৰদান কৰে। ভুক্তভোগী পৰিয়ালটিৰ পৰা পেহেলগাম সন্ত্ৰাসবাদী কাণ্ডৰ বিষয়ে প্ৰত্যক্ষ বিৱৰণ শুনি পাক-সমৰ্থিত সন্ত্ৰাসবাদীৰ নৃশংসতা পুনৰ এবাৰ উপলব্ধি কৰা বুলি মন্ত্ৰী হাজৰিকাই মন্তব্য কৰে। আনহাতে, ১০ পৃষ্ঠাত

# ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলনৰ দ্বিতীয়দিনা আলোচনা সত্ৰত উদ্যোগ মন্ত্ৰী বিমল বড়া

## কাঁহৰ বাচন বৰ্তনত জিআই টেগ, লণ্ডনলৈ নেমুটেঙাৰ ৰপ্তানিৰ কথা উল্লেখ

**গুৱাহাটী ঃ** নতুন দিল্লীৰ ভাৰত মণ্ডপমত উত্তৰ-পূৱ উন্নয়ন মন্ত্ৰালয়ে দুদিনীয়াকৈ আয়োজন কৰা ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলনৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ এক আলোচনা সত্ৰত উত্তৰ পূৱৰ বৰ্ণাঢ্য বস্ত্ৰ শিল্পৰ পৰা আৰম্ভ কৰি চাহ, নেমুটেঙাৰ ৰপ্তানিলৈ বিষয়সমূহে স্থান লাভ কৰে। এই আলোচনা সত্ৰত ভাষণ প্ৰদান কৰি ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াই অসমত থলুৱাভাৱে নিৰ্মিত কাঁহৰ বাচন বৰ্তনত জিআই টেগ সংযোজনৰ ফলত ইয়াৰ ৰপ্তানি ১০ পৃষ্ঠাত



# নদুৱাৰ সমষ্টিৰ অন্তৰ্গত ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আন্তঃ বিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল খেল সম্পন্ন

## মুখ্য অতিথি নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ দ্বাৰা বিজয়ী দলক বঁটা প্ৰদান





**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ ৰঙাচকুৱাৰ এখন আগশাৰী শিক্ষানুষ্ঠান হিচাপে পৰিচিত ৰঙাচকুৱা খেলপথাৰত আয়োজিত ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আন্তঃবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাৰ সোমবাৰে ফাইনেল খেলখন বহু উৎসাহিত পৰিৱেশৰে সম্পন্ন হয়। উক্ত ফাইনেল খেলখনৰ শুভ উদ্বোধন কৰে মুখ্য অতিথি হিচাপে আসন অলংকৃত কৰা নদুৱাৰ সমষ্টিৰ জনপ্ৰিয় বিধায়ক তথা ভৰলীকোঁৱৰ উপাধিৰে বিভূষিত পদ্ম হাজৰিকাই। নদুৱাৰ সমষ্টিৰ সৰ্বমুঠ আঠখন বিদ্যালয়ৰ মাজত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ক্ৰিকেটখেলখন অনুষ্ঠিত হয়। ফাইনেল খেলখনত ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মাজত প্ৰতিদ্বন্দ্বিতা হৈছিল যদিও ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰিকেট দলে বৃহৎ জয়লাভ কৰিবলৈ সক্ষম হয়। বিজয়ী দলক ট্ৰফী, প্ৰসংশা পত্ৰ আৰু নগদ ধন প্ৰদান কৰে বিধায়ক পদ্ম হাজৰিকাই। ইয়াৰোপৰি মেন অফ ডা মেচ, বেষ্ট বলাৰ, বেষ্ট ফিলডিং, বেষ্ট ৰানাৰ্চৰ লগতে বহুকেইটা বঁটা প্ৰদান কৰে বিশিষ্ট অতিথি ক্ৰমে জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা জ্যেষ্ঠ সমাজকৰ্মী নিতুমনি বৰা, যুৱ সমাজকৰ্মী ইমামুদ্দিন ইনচান, বুলু আহমেদ, চতিয়া পৌৰসভাৰ পৌৰপতি দ্বিপশিখা সন্দিকৈৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। দৰ্শকৰ লগতে শিক্ষাৰ্থীসকলৰ বহু উৎসাহপূৰ্ণৰে ভৰি পৰা এখন সুন্দৰ ক্ৰিকেট খেলৰ ফাইনেলত বিজয় সাব্যস্ত কৰি ৰঙাচকুৱা অঞ্চলৰ লগতে ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে এক চিৰস্মৰণীয় দিন হিচাপে সাক্ষী হৈ ৰ'ল।

# জুৰীয়াত আপকুৰ নগাঁও জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

## সাংবাদিকৰ কল্যাণৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** 'আছাম প্ৰেছ কৰেছপ'ণ্ডেন্ট ইউনিয়ন' চমুকৈ 'আপকু'ৰ নগাঁও জিলা সমিতিৰ এখনি কাৰ্যনিৰ্বাহক সভা যোৱা ১৯ মে'ত জুৰীয়া প্ৰেছ ক্লাৱৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। আপকুৰ নগাঁও জিলা সমিতিৰ সভাপতি অপূৰ্ব হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ যথেষ্ট সংখ্যক সাংবাদিকে অংশগ্ৰহণ কৰে। আপকুৰ নগাঁও জিলা সমিতিৰ সম্পাদক সমৰেন্দ্ৰ নাৰায়ণ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সাংবাদিক সকলৰ বিভিন্ন সমস্যাসমূহৰ লগতে সাংবাদিক কল্যাণ নিধি সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। উল্লেখযোগ্য যে, ১৯৯৩ চনৰ ৩০ এপ্ৰিলত সাংবাদিকসকলৰ কল্যাণৰ অৰ্থে গঠন হোৱা আপকুৰ এখনি কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অহা জুলাই মাহত জিলাখনৰ কামপুৰত অনুষ্ঠিত কৰাৰ বিষয়ে আলোচনা কৰাৰ লগতে প্ৰয়াত নগাঁৱা সাংবাদিক বলেন বৰা, শিৱ প্ৰসাদ বৰা আৰু প্ৰণৱ বৰাৰ নামত বঁটা প্ৰদান কৰাৰ সন্দৰ্ভত সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত জুৰীয়া প্ৰেছ ক্লাবৰ সভাপতি দিলোৱাৰ হুছেইন, আপকুৰ নগাঁও জিলা সমিতিৰ সহঃ সম্পাদক নিপুল বৰা, সাংবাদিক ক্ৰমে জয়ন্ত বৰা, ৰাহুল দেৱ বৰদলৈ, সূৰজ কুমাৰ বৰা, এম. আৰ চৌধুৰী প্ৰমুখ্যে কেইবাগৰাকী সাংবাদিকে বক্তব্য প্ৰদান কৰে। সভাৰ আৰম্ভণিতে জুৰীয়া প্ৰেছ ক্লাবৰ তৰফৰ পৰা এখনকৈ ফুলাম গামোচাৰে সকলোকে আদৰণি জনোৱা হয়।

# শিৱসাগৰ জিলাৰ গেলেকী আৰু লিগিৰীপুখুৰী স্বাস্থ্যকেন্দ্ৰ পৰিদৰ্শন জিলা আয়ুক্ত আয়ুস গৰ্গৰ




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ আয়ুক্ত আয়ুস গৰ্গে যোৱা ২২ মে'ত গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া SDCH, লিগিৰীপুখুৰী স্বাস্থ্য প্ৰতিষ্ঠান পৰিদৰ্শনৰ লগতে বিষাক্ত কাঠফুলা সেৱন কৰি আক্ৰান্ত হোৱা লোকৰ স্বাস্থ্যৰ বুজ লয়। উল্লেখ্য যে, শিৱসাগৰৰ জিলা আয়ুক্ত আয়ুস গৰ্গে গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত উপস্থিত হৈ চিকিৎসালয়খন পৰিদৰ্শন কৰে। বিশেষভাৱে আয়ুক্তগৰাকীয়ে চিকিৎসালয়খনৰ OPD, পৰীক্ষাগাৰ, শিশু বৰ্হিঃবিভাগ, প্ৰসূতি তথা মাতৃ কক্ষৰ লগতে চিকিৎসালয়ৰ পৰিচ্ছন্নতা আদি দিশসমূহ পৰ্যবেক্ষণ কৰাৰ পিছত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া SDCH, লিগিৰীপুখুৰী স্বাস্থ্য প্ৰতিষ্ঠান পৰিদৰ্শন কৰে। আনহাতে তেওঁ ইতিমধ্যে আন্তঃগাঁথনি সম্পূৰ্ণ হৈ উঠা ডায়েলাইছিছ ইউনিটটোও পৰ্যবেক্ষণ কৰে। আঠখেল আৰু বাঁহগৰা অঞ্চলৰ বিষাক্ত কাঠফুলা সেৱন কৰি আক্ৰান্ত হোৱা তিনিগৰাকী ব্যক্তিৰ স্বাস্থ্যৰ বুজ লয়। ইতিমধ্যে আটাইকেইজন ব্যক্তি সুস্থ হৈ উঠিছে বুলি জানিব পৰা গৈছে। লগতে জিলা আয়ুক্ত গৰ্গে স্বাস্থ্য প্ৰতিষ্ঠান দুটাত উপস্থিত থকা ৰোগীসকলৰ লগত মত বিনিময় কৰে। তেওঁৰ এই পৰিদৰ্শন কালত জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মে আৰু জিলা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতা, নাজিৰা মহকুমাৰ মুখ্য কাৰ্যালয়ৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ সাধন বৰা, ডাঃ সৌভিক ভট্টাচাৰ্যয়ে সংগ দিয়ে। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া SDCH, লিগিৰীপুখুৰী স্বাস্থ্য প্ৰতিষ্ঠানটোৰ উপ-অধীক্ষক ডাঃ কোকিল গগৈ আৰু গেলকী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ প্ৰদ্যুৎ কোঁৱৰক সাক্ষাৎ কৰি স্বাস্থ্য প্ৰতিষ্ঠান দুটাৰ বিভিন্ন দিশ সম্পৰ্কে বিতং পৰ্যালোচনা কৰি প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়।

# ডিব্ৰুগড়ৰ চাহ বাগিচা অঞ্চলত শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ সক্ষমতা বিকাশ কৰ্মশালা সম্পন্ন




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় জিলাৰ চাহ বাগিচা অঞ্চলসমূহত শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰ ফাউণ্ডেচন ফৰ ছ'চিয়েল ৰিছাৰ্চ এণ্ড লাইভলিহুড প্ৰেক্টিছ (BFFSR&LP)-ৰ উদ্যোগত, চাহ বাগিচা কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত প্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষকসকলৰ বাবে যোৱা ২২ মে'ৰ পৰা ২৪ মে'লৈ তিনিদিনীয়াকৈ সক্ষমতা বিকাশ প্ৰশিক্ষণ কৰ্মশালা সফলতাৰে অনুষ্ঠিত হৈ যায়। সামূহিক অনাতাঁৰ কেন্দ্ৰ ব্ৰহ্মপুত্ৰ ৰেডিঅ'ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই কৰ্মশালা উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড়ৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰা, অসম মেডিকেল মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই উপস্থিত থাকি কৰ্মশালাখনি উদ্বোধন কৰে। দুয়োগৰাকী ব্যক্তিয়ে প্ৰাথমিক পৰ্যায়ৰ গুণগত শিক্ষাৰ প্ৰয়োজনীয়তাৰ লগতে অংশগ্ৰহণকাৰী শিক্ষক-শিক্ষয়ত্ৰীসকলক প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত শিকনি ঘাটি সমাধানৰ বাবে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰি ভাষণ প্ৰদান কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ, শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ডাঃ প্ৰাঞ্জল বুঢ়াগোহাঁইৰ দ্বাৰা শিকন ঘাটি মূল্যায়নৰ ফলাফলৰ ওপৰত এক পৰ্যালোচনা আগবঢ়োৱাৰ লগতে শিক্ষক-শিক্ষয়ত্ৰীসকলে স্থানীয়ভাৱে কৰিব পৰা সমাধানসমূহৰ ওপৰত বাখ্যা আগবঢ়ায়। এই কৰ্মশালাত বিভিন্ন চৰকাৰী বিদ্যালয়ৰ পৰা সমল ব্যক্তি হিচাপে যুগল কোঁৱৰ, নীলাভনয়ন বৰদলৈ, ৰিন্টু চেতিয়া, ললিন টায়ে, মাধুৰ্য চেতিয়া আৰু ডিম্বেধৰ চেতিয়াই প্ৰাথমিক বিদ্যালয়ৰ পৰ্যায়ত ভাষা আৰু গণিতৰ বিকাশৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰদান কৰে। তিনিদিনীয়া এই কৰ্মশালাত ডিব্ৰুগড় জিলা লাহোৱাল আৰু বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৯ খন চাহ বাগিচা অঞ্চলৰ বিভিন্ন প্ৰাথমিক বিদ্যালয়ৰ ১৯ গৰাকী শিক্ষক-শিক্ষয়ত্ৰীয়ে অংশগ্ৰহণ কৰে। এই কৰ্মশালাৰ জৰিয়তে চাহ-বাগিচা অঞ্চলৰ প্ৰাথমিক স্তৰৰ শিক্ষাৰ মানদণ্ড উন্নত কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাষা আৰু গণিতৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহ চিনাক্ত কৰি তাৰ সমাধান সূত্ৰ নিৰ্ধাৰণ কৰি ইয়াক কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

# গায়ত্ৰী হাজৰিকা বাইদেউলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

■ **সমুজ্জ্বল ডেকা,** ৰঙিয়া

মনুষ্যৰ মৰণ অনিবাৰ্য; কিন্তু অকালতে মৃত্যু সঁচাকৈ বৰ অসহনীয়। অজস্ৰ গীতৰ মাজত গায়ত্ৰী হাজৰিকা বাইদেউৰ কণ্ঠত নিগৰা বিশেষকৈ 'সৰা পাতে পাতে ফাগুন নামে' শীৰ্ষক গীতৰে অগণন গুণমুগ্ধক আকৰ্ষণ কৰিছিল। মাত্ৰ ৪৫ বছৰ বয়সতে শিল্পীগৰাকীয়ে সকলোকে বাকৰুদ্ধ কৰি হঠাৎ গুচি গ'ল। খবৰ পোৱা অনুসৰি তেওঁ প্ৰায় এবছৰে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। সংগীত জগতত এইয়া এক অপূৰণীয় ক্ষতি। বিদায় দুই প্ৰকাৰৰ। ক্ষণন্তেকীয়া বিদায় আৰু চিৰবিদায়। গতিকে তেখেত আমাৰ মাজৰ পৰা চিৰবিদায় মাগিলে; কিন্তু চিৰবিদায় মাগিলেও বিদায় বুলি নকওঁ। কাৰণ গায়ত্ৰী বাইদেউৰ সৃষ্টিৰাজি সদায় আমাৰ মাজত প্ৰৱাহমান হৈ থাকিব। শেষত তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

# আমেৰিকা-চীনৰ বাণিজ্যিক যুদ্ধখনত সাময়িক বিৰতি ঃ এক পৰ্যালোচনা

■ সত্যব্ৰত বৰা

আমেৰিকা-চীনৰ বাণিজ্যিক যুদ্ধখনক লৈ ঘোষণা হোৱা সাময়িক শান্তিৰ ঘোষণাই বিশ্বৰ বজাৰ, ব্যৱসায়ী সকল আৰু নীতি-নিৰ্ধাৰকসকলৰ মাজত এক আশাবাদৰ সঞ্চাৰ কৰিছে। জেনেভাত হোৱা তীব্ৰ আলোচনাৰ অন্তত ঘোষিত এই ৯০ দিনৰ বিৰতি এনে এক প্ৰতিযোগিতামূলক শুল্কযুদ্ধৰ পৰা আঁতৰি অহাৰ পদক্ষেপ, যিটোৱে বিশ্ব অৰ্থনীতিক অস্থিৰ কৰি তুলিছিল। দুয়োখন দেশে তেওঁলোকৰ কঠোৰ শুল্ক হ্ৰাস কৰাৰ বাবে একমত হৈছে। আমেৰিকাই চীনা সামগ্ৰীৰ ওপৰত শুল্ক ১৪৫ শতাংশৰ পৰা ৩০ শতাংশলৈ হ্ৰাস কৰিছে। আনহাতে চীনেও আমেৰিকান সামগ্ৰীৰ ওপৰত শুল্ক ১২৫ শতাংশৰ পৰা ১০ শতাংশলৈ হ্ৰাস কৰিছে। এই পদক্ষেপে ক্ষতিগ্ৰস্ত উদ্যোগ আৰু গ্ৰাহকসকলৰ বাবে এক অতি প্ৰয়োজনীয় স্বস্তি প্ৰদান কৰিছে।

এই বাণিজ্যিক যুদ্ধখন আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ দ্বিতীয় কাৰ্যকালত নতুন উদ্যমেৰে জ্বলি উঠিছিল। ২০২৫ চনৰ ফেব্ৰুৱাৰীত চীনা আমদানিৰ ওপৰত তীব্ৰ শুল্ক আৰোপৰ জৰিয়তে ইয়াৰ সূচনা কৰা হৈছিল। এপ্ৰিলত ট্ৰাম্পৰ ‘মুক্তি দিৱস’ ঘোষণাই একাধিক দেশৰ ওপৰত প্ৰতিশোধমূলক শুল্ক আৰোপ কৰিছিল, কিন্তু চীনে ইয়াৰ সৰ্বাধিক খৰচ বহন কৰিব লগীয়া হ’ল। কিছুমান সামগ্ৰীৰ ওপৰত ২৪৫ শতাংশ পৰ্যন্ত শুল্কৰ সন্মুখীন হৈছিল চীন। বেইজিঙে তৎক্ষণাত প্ৰতিক্ৰিয়া দেখুৱাই আমেৰিকান সামগ্ৰীৰ ওপৰতো ১২৫ শতাংশ পৰ্যন্ত শুল্ক আৰোপ কৰিলে। যাৰ ফলত প্ৰায় ৬০০ বিলিয়ন ডলাৰ মূল্যৰ দ্বিপাক্ষিক বাণিজ্য কাৰ্যতঃ স্থবিৰ হৈ পৰিল। ফলাফল তৎক্ষণাত প্ৰকাশ পাইছিলঃ বিশ্বৰ বজাৰ ধ্বংসস্তূপত পৰিণত হৈছিল, যোগান শৃংখল বিঘ্নিত হৈছিল আৰু ব্যৱসায়ীসকলে দীৰ্ঘম্যাদী অনিশ্চয়তাৰ বাবে প্ৰস্তুতি চলাইছিল। আমেৰিকাত ৱালমাৰ্ট আৰু টাৰ্গেটিৰ দৰে খুচুৰা বিক্ৰেতাসকলে দাম বৃদ্ধিৰ সতৰ্কবাণী জাৰি কৰিছিল, আনহাতে চীনা নিৰ্মাতাসকলে শ্বিপমেণ্ট বন্ধ হোৱা আৰু লাখ লাখ চাকৰিৰ ক্ষেত্ৰত আহি পৰা সমস্যাৰ কথা জনাইছিল।

আমেৰিকাৰ কোষাগাৰ সচিব স্কট বেছেণ্ট আৰু চীনৰ উপ-প্ৰধানমন্ত্ৰী হি লিফেঙৰ নেতৃত্বত হোৱা জেনেভাৰ আলোচনা অধিক অৰ্থনৈতিক ক্ষতি এৰাই চলাৰ এক উচ্চস্তৰীয় প্ৰচেষ্টা আছিল। জেনেভা হ্ৰদৰ ওপৰত অৱস্থিত এক গোপনীয় চুইচ ভিলাত অনুষ্ঠিত এই আলোচনা শুল্কযুদ্ধ তীব্ৰতৰ হোৱাৰ পিছত দুই শক্তিৰ মাজত প্ৰথম উল্লেখযোগ্য আলোচনা আছিল। দুয়োপক্ষই ঘৰুৱা চাপৰ সন্মুখীন হৈছিল। আমেৰিকাত ট্ৰাম্পে ক্ৰমবৰ্ধমান গ্ৰাহক মূল্য আৰু কৰ্পৰেট লবীৰ পৰা প্ৰতিক্ৰিয়াৰ সন্মুখীন হৈছিল। চীনত ৰাষ্ট্ৰপতি শ্বি জিনপিঙে এক সূক্ষ্ম ভাৰসাম্য ৰক্ষা কৰিছিল, বাণিজ্য বিবাদক সাৰ্বভৌমত্বৰ বিষয় হিচাপে চিত্ৰিত কৰি জাতীয়তাবাদী বক্তৃতাৰ ওপৰত নিৰ্ভৰ কৰিছিল।

চুক্তিৰ চৰ্তসমূহে এক ধৰণৰ বুজাপৰা প্ৰতিফলিত কৰে। আমেৰিকাই চীনা সামগ্ৰীৰ ওপৰত ৩০ শতাংশ শুল্ক বজাই ৰাখিছে। ইফালে, চীনে নিজৰ শুল্ক ১০ শতাংশলৈ হ্ৰাস কৰিছে, যিটো বিশ্লেষকসকলে নিজৰ ৰপ্তানিমুখী অৰ্থনীতি স্থিতিশীল কৰাৰ এক কৌশলগত পদক্ষেপ হিচাপে ব্যাখ্যা কৰে। ইয়াৰ উপৰিও, চীনে অ-শুল্ক ব্যৱস্থাৰ দ্বাৰা ১৭ টা আমেৰিকান কোম্পানীৰ ওপৰত বাণিজ্য নিষেধাজ্ঞা স্থগিত ৰাখিছে, যি বৃহত্তৰ উত্তেজনা হ্ৰাসৰ প্ৰচেষ্টাৰ ইংগিত দিয়ে। এই চুক্তিয়ে বজাৰত এক উত্থানৰ সৃষ্টি কৰিছে, ৱাল ষ্ট্ৰীটৰ এছ এণ্ড পি মাৰ্চৰ পিছত সৰ্বোচ্চ স্তৰত উপনীত হৈছে, হংকংৰ হেং ছেং ৩ শতাংশৰো অধিক উৰ্ধগতি লাভ কৰিছে, আৰু চীনৰ ইউৱানে ছমাহৰ সৰ্বোচ্চ স্তৰত উপনীত হৈছে।

তথাপিও, বজাৰৰ উল্লাসৰ তলত সন্দেহৰ ছাঁ এতিয়াও আছে। ৯০ দিনৰ বিৰতি বাণিজ্যিক যুদ্ধৰ মূল কাৰণসমূহ সমাধানৰ বাবে এক সংক্ষিপ্ত সময়। ৱাশ্বিংটনে বেইজিঙৰ সৈতে ২৯৫ বিলিয়ন ডলাৰৰ সামগ্ৰীৰ বাণিজ্য ঘাটি হ্ৰাস কৰিব বিচাৰে আৰু চীনক তেওঁলোকে বাণিজ্যবাদী অৰ্থনৈতিক মডেল বুলি অভিহিত কৰাটো পৰিত্যাগ কৰিবলৈ চাপ দিছে, যিয়ে ৰপ্তানিক অগ্ৰাধিকাৰ দিয়ে। ফক্স নিউজৰ সৈতে শেহতীয়া এক সাক্ষাৎকাৰত আমেৰিকাৰ বাণিজ্য সচিব হাৱাৰ্ড লুটনিকে চীনে বিশ্বৰ বজাৰখনত অধিক অৰিহণা যোগোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।এই পৰিৱৰ্তনৰ বাবে বেইজিঙত ৰাজনৈতিকভাৱে স্পৰ্শকাতৰ সংস্কাৰৰ প্ৰয়োজন। ইফালে, চীনে আমেৰিকাৰ শুল্কক বেপেৰুৱা আৰু অস্থিৰকাৰী বুলি গণ্য কৰে।ৰাষ্ট্ৰীয় গণমাধ্যমে ওৱাশ্বিংটনক জোৰ-জবৰদস্তি আৰু আধিপত্যবাদৰ অভিযোগ উত্থাপন কৰে। বেইজিঙত লেটিন আমেৰিকাৰ নেতাসকলৰ সৈতে কথা পাতি শ্বি জিনপিঙে কৈছিল যে ‘শুল্ক যুদ্ধত কোনো বিজয়ী হোৱা নাই’। চীনক বিশ্বায়নৰ ৰক্ষক হিচাপে প্ৰতিষ্ঠা কৰি আমেৰিকাৰ নীতিৰ পৰোক্ষ সমালোচনা কৰিছিল তেওঁ।

এই বিৰতিয়ে মিশ্ৰিত প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছে। আমেৰিকাত ট্ৰাম্পে ইয়াক দ্বিপাক্ষিক সম্পৰ্কৰ ‘পুনৰ স্থাপন’ বুলি অভিহিত কৰিছে।তেওঁ দাবী কৰিছে যে ই চীনৰ অৰ্থনীতিক আমেৰিকান ব্যৱসায়ৰ বাবে মুকলি কৰা এক ‘অতি শক্তিশালী’ বাণিজ্য চুক্তিৰ পথ প্ৰশস্ত কৰিব। কিন্তু স্কট কেনেডিৰ দৰে অৰ্থনীতিবিদসকলে যুক্তি দিয়ে যে চীনৰ দৃঢ় অৱস্থানে সম্ভৱতঃ অন্য দেশসমূহক আমেৰিকাৰ সৈতে বাণিজ্য আলোচনাত কঠিন সিদ্ধান্ত ল’বলৈ উৎসাহিত কৰিব পাৰে। ইকনমিষ্ট ইণ্টেলিজেন্স ইউনিটৰ তিয়ানচেন শ্বুৰ দৰে বিশ্লেষকসকলে উল্লেখ কৰে যে এই বিৰতিয়ে দুয়োপক্ষৰ ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগসমূহৰ বাবে লাভজনক হ’ব কিন্তু মূল প্ৰতিদ্বন্দ্বিতা এতিয়াও সমাধান হোৱা নাই।

বাণিজ্যিক যুদ্ধৰ অৰ্থনৈতিক ক্ষতি অনস্বীকাৰ্য। আমেৰিকাত ইয়েলৰ বাজেট লেবে অনুমান কৰিছে যে শুল্ক হ্ৰাসৰ পিছতো ট্ৰাম্পৰ ২০২৫ৰ শুল্কই দাম প্ৰায় ২ শতাংশ বৃদ্ধি কৰিব, যাৰ ফলত মধ্যবিত্ত পৰিয়ালৰ বছৰি গড়ে ২,২৩৭ ডলাৰ খৰচ হ’ব। চীনত শুল্কযুদ্ধই শ্বিপমেণ্ট বিঘ্নিত কৰিছে, প্ৰায় ১৬ মিলিয়ন চাকৰি শেষ কৰিছে। বিশ্বব্যাপী এই সংঘাতে যোগান শৃংখলৰ ওপৰত চাপ সৃষ্টি কৰিছে, এপ্ৰিলৰ পৰা চীনৰ পৰা শ্বিপিংৰ পৰিমাণ তীব্ৰভাৱে হ্ৰাস পাইছে। এই বিৰতিয়ে সাময়িক স্বস্তি প্ৰদান কৰিছে, কিন্তু ইয়াৰ দীৰ্ঘম্যাদী স্থিতিশীলতাৰ সৃষ্টিৰ ক্ষমতাৰ ওপৰত সন্দেহৰ সৃষ্টি কৰে। জটিল বাণিজ্য আলোচনাৰ বাবে সাধাৰণতে অন্ততঃ এবছৰৰ প্ৰয়োজন আৰু বৰ্তমানৰ চুক্তিত বাস্তৱায়ন আৰু দীৰ্ঘম্যাদী প্ৰতিশ্ৰুতিৰ বিষয়ে স্পষ্টতাৰ অভাৱ দেখা গৈছে।

এছিয়া আৰু ইউৰোপৰ বজাৰসমূহে উত্তেজনা হ্ৰাসৰ আশাত উত্থান লাভ কৰিছে। এই বিৰতিয়ে ভাৰত আৰু পাকিস্তানৰ মাজত শান্তিৰ দৰে অন্যান্য কূটনৈতিক উন্নয়নৰ সৈতে সংগতি ৰাখি, ভূ-ৰাজনৈতিক উত্তেজনা হ্ৰাসৰ অনুভূতি বৃদ্ধি কৰিছে। তথাপিও, আমেৰিকা-চীনৰ প্ৰতিদ্বন্দ্বিতা বাণিজ্যৰ বাহিৰলৈও বিস্তৃত হৈ আছে। চীনে ব্ৰাজিলৰ দৰে দেশৰ সৈতে সম্পৰ্ক গভীৰ কৰিছে। আমেৰিকাই ইউ. কে.ৰ দৰে মিত্ৰসকলক চীনা যোগান শৃংখলৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ চাপ দিছে, যি দাবীক বেইজিঙে জোৰ-জবৰদস্তি বুলি নিন্দা কৰিছে।

এই ৯০ দিনৰ বিৰতিৰ সময় এক গুৰুত্বপূৰ্ণ পৰীক্ষা। ট্ৰাম্পে সতৰ্ক কৰিছে যে প্ৰগতি স্থবিৰ হ’লে শুল্ক ‘অধিক উল্লেখযোগ্যভাৱে’ বৃদ্ধি পাব পাৰে, আনহাতে চীনা বিষয়াসকলে জোৰ দি কয় যে শুল্কৰ বিৰোধিতা অপৰিৱৰ্তিত। বিশ্লেষকসকলে এই আলোচনাক ‘ৰ’লাৰকোষ্টাৰ’ বুলি বৰ্ণনা কৰিছে। গ্ৰাহকসকলৰ বাবে এই বিৰতিয়ে সাময়িক স্বস্তি প্ৰদান কৰিছে, কিন্তু বহল অৰ্থনৈতিক ক্ষতি মেৰামতিৰ বাবে সময়ৰ প্ৰয়োজন। আমেৰিকা-চীন বাণিজ্যিক যুদ্ধৰ পিছুৱাৰ পদক্ষেপ এক স্বাগতমযোগ্য বিৰতি, কিন্তু ই সমাধান নহয়। ই বিশ্বৰ দুটা বৃহত্তম অৰ্থনীতিৰ অৰ্থনৈতিক পাৰস্পৰিক নিৰ্ভৰশীলতা প্ৰতিফলিত কৰে। তথাপিও, গাঁথনিগত সমস্যা যেনে বাণিজ্যৰ ভাৰসাম্যহীনতা, প্ৰতিযোগিতামূলক অৰ্থনৈতিক মডেল আৰু ভূ-ৰাজনৈতিক অবিশ্বাস এতিয়াও অব্যাহত আছে। দুয়োখন দেশে শান্তিৰ সমাধান কৰাৰ সময়ত সমগ্ৰ বিশ্বই তীক্ষ্ণ দৃষ্টিৰে চাই আছে ।কাৰণ পৰৱৰ্তী ৯০ দিনে বিশ্ব বাণিজ্য আৰু স্থিতিশীলতাৰ গতিপথক গঢ় দিব পাৰে। এই বিৰতিয়ে পুনৰ ভাৰসাম্য স্থাপনৰ আগজাননী দিয়ে নে কেৱল এক ক্ষণস্থায়ী স্বস্তিহে সেয়া এতিয়াও সন্দেহৰ আৱৰ্তত।

# তাহানিৰ খেতি পথাৰৰ স্মৃতি সোঁৱৰি একলম

■ দীপশিখা বৰা
কাৰ্বি-আংলং, বালিপথাৰ

তাহানি এৰি অহা স্মৃতিবোৰ কেতিয়াবা বৰকৈ মনত পৰে। কিমান যে ভাল লাগিছিল, খেতিপথাৰত বোকা পানীৰে লুতুৰি-পুতুৰি হৈ থকা কালচোৱা। আজিও সেই সকলোবোৰ মোৰ দুচকুত ভাঁহি আহে। পিতায়ে কুকুৰা ডাকতে উঠি গোহালিৰ গৰু হাল আৰু কান্ধত নাঙল যুৱলি লৈ পথাৰলৈ গৈছিল। আনফালে আয়ে ৰাতিপুৱাতে উঠি খৰখেদাকৈ বাহি-বন কৰি পিতাইলৈ বুলি জা-জলপান যোগাৰ কৰিছিল। বাৰীৰ আগলি কলপাত এখন কাটি আনি ভাতৰ কাঁহীখন ঢাকি হাঁচতিখনেৰে টোপোলা বান্ধি পথাৰলৈ লৈ গৈছিল। আঠ বজাৰ আগতে আই আৰু মই পিতাইৰ ওচৰ পাইছিলোগৈ। পিতাই গৰু হাল ৰখায় হাত-মুখ ধুই পথাৰৰ টিলাটিৰ টঙিটোতে বহি জলপান খাইছিল আৰু লগতে ময়ো খাইছিলো। কিমান যে ভাল লাগিছিল। পথাৰত খোৱা সোৱাদেই বেলেগ আছিল। আনফালে জেঠ মাহ; পিতাই ভঁৰালৰ পৰা জহা, বৰা, লাহী আদি কেইবাবিধো ধান ভাগ ভাগ কৰি কঠিয়াৰ কাৰণে যোগাৰ কৰিছিল। মৰাপাটৰ বস্তাত টোপোলা-টুপলিকৈ বান্ধি ঘৰৰ পুখুৰীত তিয়াই থৈছিল। দুদিন যোৱাৰ পিছত পানীৰ পৰা উঠাই আনি ঘৰৰ এটা কোণত কলৰপাতত পাৰি ধানবোৰ মেলি দিছিল। গজালি ওলোৱাত ভাল বাৰ এটা চাই, এদিন চহাই বোকা কৰি থোৱা পথাৰডৰাত চিটাচিতকৈ কঠিয়া সিঁচিছিল। সিঁচা ধানবোৰ যাতে চৰাইচিৰিকটিয়ে খাব নোৱাৰে তাৰ বাবে দেউতাই দেউতাৰ হাতদীঘল চোলা এটা বাঁহৰ আগলি এটাত ওলোমাই ৰাখিছিল। যেতিয়া কঠিয়া পুৰঠ হৈছিল, দেউতাই বাকিবোৰ মাটিও হাল বাই চহাই থৈছিল। আহাৰৰ সাত লগা পাছত মা আৰু কেইগৰাকী মানৰ সৈতে কঠিয়া তোলা আৰম্ভ কৰিছিল। মুখত এমোকোৰা তামোল লৈ এফেৰা দুফেৰাকৈ কঠিয়া তুলি গৈছিল আৰু ময়ো মাৰ লগতে এমুঠি দুমুঠিকৈ তুলিবলৈ শিকিছিলো। বাৰীৰ তামোলৰ ঢকুৱাৰ ৰচিৰে কঠিয়াবোৰ আটিলকৈ বান্ধিছিল। পিতাই লাহনিৰে কঠিয়া তলিলৈ পানী সিঁচি দিছিল। আনফালে দেউতাই মূৰত টকৌ পাতৰ জাপিটো লৈ ৰ’দ- বৰষুণ নেউচি পথাৰ বোকা কৰিছিল আৰু মৈৰে সমান কৰি কঠিয়া ৰোৱাৰ উপযুক্ত কৰিছিল। কেতিয়াবা সেই মৈত উঠি মই বৰ আনন্দ লভিছিলো। বোকাৰে লুতুৰি-পুতুৰি হৈ ৰ’দ-বৰষুণত তিতি সৰু সৰু আলিবোৰত দৌৰি ফুৰিছিলো। দেউতাই আলিবোৰৰ চুক কাণ কোৰেৰে কাটি পুনৰ বোকাৰে লেপিছিল। এদিন ভাল বাৰ এটা চাই কঠিয়া ৰোৱা কাৰ্য আৰম্ভ কৰিছিল। দেউতাই কঠিয়াবোৰ পথাৰত ধুনীয়াকৈ বোলাই দিছিল। আয়ে পথাৰৰ আলিৰ কোণত আগলতি কলপাতত চাকি-ধূপ জ্বলাই তামোল পাণ এযোৰ, বুট-মগুৰ সৈতে আই লখিমীক সেৱা কৰি ক’লাকচু এজোপা ৰুই সেৱা কৰি ‘গুৰুত লগাম, গোসাঁইত লগাম, বাৰ ভকতক খুৱাম’ বা ‘খোজনীয়া-মগনীয়া, অতিথি, চৰাই চিৰিকটিয়ে খাব পৰাকৈ ভঁড়াল উপচি পৰক’ বুলি কৈ সেই কোণতে পাঁচ বা সাত গোছা কঠীয়া ৰুইছিল। এনেদৰে এদিন সকলোবোৰ পথাৰ ৰুই শেষৰ দিনা শেষৰ ডৰা মাটিত সৰহকৈ কঠিয়া এমুঠি লৈ পথাৰৰ আলিৰ চুকত কঠিয়াৰ মাজত বোকা অলপ দি আমাৰ ভঁৰাল ডাঙৰ হ’বি বুলি কৈছিল। এনেদৰে দেউতাই আৰু মায়ে কপালৰ ঘাম মাটিত পেলাই ভঁৰালৰ এমুঠি ধান গোটাইছিল। আজিও সেই স্মৃতি সময়ে আহি সোঁৱৰাই দিয়ে।

**ম’বাইল ঃ ৮০১১৭-১২৩৮৩**

# নদুৱাৰ সমষ্টিৰ মহমৰাপাৰস্থিত গোৰ্খা ভৱনৰ নৱীকৰণ আৰু মৰিসূতি গোৰ্খা ভৱন নিৰ্মাণৰ শিলন্যাস স্থাপন বিধায়ক পদ্ম হাজৰিকাৰ

## গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙৰ অংশগ্ৰহণ




**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত জামুগুৰিহাটৰ মহমৰাপাৰস্থিত গোৰ্খা ভৱনৰ নৱীকৰণ আৰু মৰিসূতি গোৰ্খা ভৱন নিৰ্মাণ কামৰ বৃহস্পতিবাৰে শিলন্যাস স্থাপনৰে শুভাৰম্ভ কৰে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে - গোৰ্খা উন্নয়ণ পৰিষদৰ পৰা আৱণ্টিত ধন ক্ৰমে তেৰ লাখ আৰু দহ লাখ টকা ব্যয়েৰে নিৰ্মাণ হ’ব লগা ভৱন দুটিয়ে উক্ত অঞ্চলৰ গোৰ্খা ৰাইজক যথেষ্ট উপকৃত কৰি তুলিব বুলি। উক্ত শিলন্যাস স্থাপন অনুষ্ঠানত বিধায়কগৰাকীৰ লগত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে গোৰ্খা উন্নয়ণ পৰিষদৰ সভাপতি প্ৰেম তামাঙৰ লগতে গোৰ্খা উন্নয়ণ পৰিষদৰ অন্যান্য বিষয়ববীয়াসকল আৰু স্থানীয় ৰাইজ। সমষ্টিটোৰ বিধায়কগৰাকীয়ে এনে সুন্দৰ পদক্ষেপৰ বাবে তেখেতে গোৰ্খা উন্নয়ণ পৰিষদৰ সভাপতি প্ৰেম তামাঙক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰে।

# মুকালমুৱাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰনজিৎ কুমাৰ দাস

## কেইবাটাও কাৰ্যসূচী লৈ উপস্থিত মন্ত্ৰীগৰাকী



**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীত মংগলবাৰে দিনজোৰা কাৰ্যসূচী লৈ উপস্থিত হয় অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰনজিৎ কুমাৰ দাস। কাৰ্যসূচী অনুসৰি প্ৰথমতে দুপৰীয়াৰ ভাগত দৌলাশালত উপস্থিত হয় মন্ত্ৰীগৰাকী। দৌলাশাল উন্নতি সাধিনী সভাৰ কাৰ্যালয়ত উপস্থিত হৈ ৰাইজৰ সতে মত বিনিময় কৰে মন্ত্ৰীগৰাকীয়ে। ইয়াৰ পাছতেই দৌলাশালত নিৰ্মাণ কৰা চিএলএফ কাৰ্যালয়ত উপস্থিত হৈ মহিলাসকলৰ সতে মত বিনিময় কৰে মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে। ইয়াৰ পাছতেই মন্ত্ৰীগৰাকী মুকালমুৱালৈ ৰাওনা হয়। মুকালমুৱাতো কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে মন্ত্ৰীগৰাকী। বৰক্ষেত্ৰী উন্নয়ন খণ্ডত বিষয়াসকলৰ সতেও এক পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে। মন্ত্ৰী ৰনজিৎ কুমাৰ দাসক সংগ দিয়ে বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ন ডেকাই। উল্লেখ্য যে মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে সংবাদ মাধ্যমত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। পঞ্চায়তৰ মহিলা প্ৰতিনিধিৰ স্বামীক লৈ পুনৰ গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰিছে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে।

# নগাঁৱত অবিনেশ্বৰ গোষ্ঠীৰ নাটক 'তল সৰা এজাক তৰা বুটলি মঞ্চস্থ





**নিপুল বৰা, নগাঁও ঃ** নগাঁৱৰ 'অবিনশ্বৰ গোষ্ঠী'ৰ নিবেদনত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ১৯ মে'ৰ নিশা 'তলসৰা এজাক তৰা বুটলি' নামৰ এখনি সামাজিক নাটক মঞ্চস্থ কৰা হয়। যুৱ প্ৰজন্মৰ এগৰাকী অভিনেত্ৰী তথা ইতিপূৰ্বে পাঁচখনকৈ নাট ৰচনাৰে নাট্যপ্ৰেমীসকলৰ মাজত পৰিচিত হৈ পৰা তুহিনকন্যা বৰাৰ কলমত এইবাৰ প্ৰাণ পাই উঠিছে 'তলসৰা এজাক তৰা বুটলি' নামৰ এই নাটখনি। নাট্যকাৰগৰাকীয়ে নাটখনি ৰচনাৰ লগতে পৰিচালনাও কৰা এই নাটখনি বাস্তৱধৰ্মী হ'লেও প্ৰকাশভঙ্গী বা প্ৰতিটো দৃশ্য উপস্থাপন শৈলী কিছু সুকীয়া। বোধকৰো একেটা দৃশ্যসজ্জাতে কৰা বাবে মনৰ উদ্ভাৱনী শক্তিৰ কৌশল প্ৰয়োগ কৰিছে। এনে ক্ষেত্ৰত সাধাৰণ শ্ৰেণীৰ দৰ্শক পোনচাটেই নাটকৰ মাজত সোমাই পৰিবলৈ অসুবিধা পাব পাৰে। নাটখনিৰ বিষয়ে ক'বলৈ গ'লে নিবিৰ আৰু কঁহুৱা নামৰ এহাল ডেকা-গাভৰু জীৱনৰ সন্ধানত একেটি পথত লগ হয়। তেওঁলোকৰ অন্তৰ্নিহিত পৰিচয়ৰ সন্ধান আৰু অতীতৰ সৈতে তাৰ যোগসূত্ৰ স্থাপন কৰাৰ চেষ্টাই নাটখনিৰ মূল উদ্দেশ্য ।লগতে আত্মিক মিলন ঘটিলেও আৰ্দশগত আৰু দৰ্শনৰ ভিন্নতাৰে নাটকীয় সংঘাত সৃষ্টি কৰি অন্তিম মুহূৰ্তলৈকে দৰ্শকক কৌতূহলী কৰি ৰাখিবলৈ সক্ষম হৈছে নাটকখনে। নাটকখনত মানুহৰ জীৱনৰ অৰ্থ, অতীতক আলিংগন কৰাৰ সাহস, জীৱনৰ প্ৰকৃত সত্যৰ সন্মুখীন হোৱাৰ অভিজ্ঞতা আৰু অনুভৱ উদ্ভাসিত হৈছে। সাধাৰণ দৰ্শকৰ দৃষ্টিকোণেৰে চাবলৈ গ'লে নাটখনিৰ মাজেৰে মানৱ জীৱনত সচৰাচৰ সংঘটিত কিছুমান ঘটনা-পৰিঘটনাক একো একোটা বিষয় হিচাপে তুলি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। নাটখনিৰ চৰিত্ৰ মাত্ৰ দুটা। ইয়াৰে এটা চৰিত্ৰত অভিনয় কৰিছে নাট্যকাৰ তুহিনকন্যা বৰাই নিজে আৰু আনটো চৰিত্ৰত হৃদয়দ্বীপ গগৈয়ে। সঁচা অৰ্থত দুয়োৰে অভিনয় নিখুঁত হৈছে। নাটখনি সুন্দৰ পৰিকল্পনাৰে সজালে প্ৰাঞ্জল প্ৰতীম মহন্তই। সহঃপৰিচালক হিচাপেও আছিল পৰিকল্পক প্ৰাঞ্জল প্ৰতিম মহন্ত। সংগীত সংৰচনা আৰু প্ৰয়োগত হৃদয় কৈলাশ (নীল) সফল হৈছে বুলিব পাৰি। সংগীত ব্যৱস্থাপনা নিশান কাশ্যপৰ। নাটখনিৰ আৱহ সংগীতত কণ্ঠ নিগৰাইছে অনুৰাগ বৰুৱা (নিয়ৰ), নিলোৎপল বৰ্মন আৰু পৰিনান্ধি জিমা চুলতানাই। পোহৰ পৰিকল্পনা আৰু নিয়ন্ত্ৰণ সোনমণি শৰ্মাৰ। সঠিক পোহৰ পৰিকল্পনা আৰু মসৃণ নিয়ন্ত্ৰণে নাটখনি ছৱিময় কৰি তুলিছে। সাজ-সজ্জা লয়ন ৰঞ্জন শইকীয়া, প্ৰত্যাশা শৰ্মাৰ। নেপথ্যত সহায় কৰিছে বেদান্ত নেওগ, প্ৰজ্ঞানব্ৰত কলিতাই। নাটখনিৰ কলা-কুশলীসকলৰ মাজত নাম নাথাকিলেও নাটখনি মঞ্চস্থৰ বেলিকা প্ৰধান অৰিহণা আছে 'অবিনশ্বৰ গোষ্ঠী'ৰ সাধাৰণ সম্পাদক, বিশিষ্ট নাট্যশিল্পী দীপক বৰাৰ। তিনি শতাধিক নাট্যপ্ৰেমী দৰ্শকেৰে পৰিপূৰ্ণ প্ৰেক্ষাগৃহটোৰ সমূহ দৰ্শকেই ৰ ঘন্টা ২০ মিনিট দৈৰ্ঘ্যৰ নাটখনি মনোযোগেৰে উপভোগ কৰাটো লক্ষণীয়। দৰ্শকৰ দৃষ্টিকোণেৰে চাবলৈ গ'লে এগৰাকী যুৱ নাট্যকাৰ হিচাপে তুহিন কন্যা বৰাৰ উজ্বল ভৱিষ্যতৰ ছবি পৰিস্ফূট হৈ পৰিছে। দৰ্শকৰ ৰুচিবোধ আৰু সাম্প্ৰতিক সময়ৰ নাটকৰ ধাৰাৰ প্ৰতি লক্ষ্য ৰাখি বিষয়বস্তু উপস্থাপনৰ কৌশল, যথাসময়ত উপযুক্ত সংলাপ সৃষ্টি, প্ৰয়োজনবোধে অতিৰিক্ত চৰিত্ৰ সংযোজন আদি দিশ সমূহে স্বাভাৱিকতে নাটক এখনি পৰিপূৰ্ণ কৰি তোলাত সহায়ক হয় আৰু সেয়া উদীয়মান নাট্যকাৰ গৰাকীয়ে নিশ্চয়কৈ অনুভৱ কৰিছে বুলিব পাৰি। কিন্তু নাটখনিত ভাবনাক বেছি অগ্ৰাধিকাৰ দিয়া বাবে দুটি চৰিত্ৰৰ মাজেৰে বিষয়বস্তুয়ে গতি কৰাত কোনো কোনো ক্ষেত্ৰত যেন উজুটি খাবলগা হৈছে এনে ভাব হয়। সীমিত সা-সুবিধাৰ মাজেৰে তথা সময়ৰ প্ৰতি লক্ষ্য ৰাখি হয়তো এটা 'ছেটিংছ'তে নাটখনি সম্পন্ন কৰা হ'ল বুলি ভবাৰ থল আছে। যিয়েই নহওক, সামগ্ৰিকভাৱে নাটখনিয়ে দৰ্শকক সন্মোহিত কৰিব পাৰিছে। শেষত ক'ব পাৰি- দৰ্শকে এখন ভাল নাটক উপহাৰ পালে আৰু নাটখনি মঞ্চস্থৰ বেলিকা প্ৰথম খোজতে অনাকাংক্ষিত ভাৱে যি দুই এক সৰু-সুৰা খুটি-নাটি ৰৈ গৈছে সেয়া ভালকৈ মন দিলে অধিক মনোৰম হ'ব।

# সিন্ধু জল চুক্তি আচলতে কি ?

■ **দেৱৰ্ষি গৌতম,** বনগাঁও

ভাৰত আৰু পাকিস্তানৰ মাজত বিবাদ আৰম্ভ হোৱাৰ লগে লগে আকৌ এবাৰ চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰা বিষয়টো হৈছে সিন্ধু জলচুক্তি। সেই বিষয়ে চৰ্চা আৰম্ভ হোৱাৰ লগে লগে বহু লোকে ইয়াৰ বিষয়ে বিতং তথ্য জনাৰ বাবে অধিক আগ্ৰহী হৈ পৰিছে। আচলতে সিন্ধু জল চুক্তিত কি আছে? কিয় স্বাক্ষৰ কৰা হৈছিল এই চুক্তি? কোনে স্বাক্ষৰ কৰিছিল এই চৰ্চিত চুক্তিখন? বিতংকৈ আপোনালোকৰ সৈতে এই চুক্তিখনৰ সবিশেষ আলোচনা কৰিম। নদীৰ পানী ভাগ-বতৰা কৰাৰ উদ্দেশ্য আগত ৰাখিছে বিশ্ব বেংকৰ মধ্যস্থতাত পাকিস্তানৰ কৰাচী চহৰত ১৯৬০ চনৰ ১৯ ছেপ্টেম্বৰ তাৰিখে ভাৰত আৰু পাকিস্তানৰ মাজত সম্পন্ন হৈছিল এই চুক্তিখন। সেই সময়ৰ তদানীন্তন ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু পাকিস্তানৰ ৰাষ্ট্ৰপতি আয়ুব খানে এই চুক্তিখনত স্বাক্ষৰ কৰিছিল। দুই দেশৰ ৰাষ্ট্ৰপ্ৰধানে স্বাক্ষৰ কৰা এই চুক্তি অনুসৰি পূব দিশত থকা তিনিখন নদীৰ নিয়ন্ত্ৰণৰ অধিকাৰ ভাৰতক প্ৰদান কৰাৰ বিপৰীতে পশ্চিম দিশত থকা তিনিখন নদীৰ নিয়ন্ত্ৰণ পাকিস্তানৰ হাতত অৰ্পণ কৰা হৈছিল। নদীৰ নিয়ন্ত্ৰণৰ ভাগ বতৰা হৈছিল যদিও তাত আটাইতকৈ ডাঙৰ সমস্যা আছিল পাকিস্তানৰ হাতত নিয়ন্ত্ৰণ থকা নদীকেইখন ভাৰতৰ মাজেৰে প্ৰৱাহিত হৈ পাকিস্তানলৈ বৈ গৈছিল। সন্ধি অনুসৰি ভাৰতে কেৱল পৰিবহণ, বিদ্যুৎ উৎপাদন আদিৰ দৰে কেইটামান বিষয়তহে নদী কেইখন ব্যৱহাৰ কৰাৰ বাবে অনুমতি লাভ কৰিছিল। এই সন্ধিৰ নিয়ম অনুসৰি সিন্ধু নদীৰ মুঠ পানীৰ মাত্ৰ ২০ শতাংশহে ভাৰতে ব্যৱহাৰ কৰিব পাৰিছিল। পাকিস্তানে যাতে পাকিস্তানৰ অধীনত লাভ কৰা নদী সমূহৰ প্ৰয়োগ কৰিব পৰাকৈ সক্ষম হৈ উঠে তাৰ বাবে ভাৰতক দহ বছৰৰ বাবে নদীৰ পানী সম্পূৰ্ণ ব্যৱহাৰৰ বাবে অনুমতি প্ৰদান কৰা হোৱা নাছিল। ইয়াৰ উপৰিও পূব দিশৰ তিনিখন নদীৰ পৰা হোৱা লোকচানৰ বাবে পাকিস্তানক ক্ষতিপূৰণ প্ৰদান কৰা হৈছিল। যিটো সময়ত ভাৰত আৰু পাকিস্তানৰ মাজত জলচুক্তি সম্পন্ন হৈছিল সেই সময়ত দুইখন দেশৰ মাজত এক সৌহাদ্যপূৰ্ণ সম্পৰ্ক আছিল। কিন্তু ১৯৬৫ চনৰ পিছৰে পৰা পাকিস্তানে ভাৰত বিৰোধী কাৰ্যকলাপ চলাবলৈ আৰম্ভ কৰে। ভাৰত আৰু পাকিস্তানৰ মাজত সিন্ধু জল চুক্তি সম্পন্ন হোৱাৰ পিছত এখন স্থায়ী সিন্ধু আয়োগ গঠন কৰা হয়। প্ৰস্তাৱিত এই আয়োগ পৰিচালনা কৰাৰ বাবে দুইখন দেশে একোজনকৈ আয়ুক্ত নিয়োজিত কৰে। তেওঁলোকৰ কাম হৈছে চুক্তিৰ সৈতে জড়িত সকলো তথ্য যোগান ধৰাৰ লগতে পৰস্পৰে পৰস্পৰৰ সৈতে সহযোগিতা আগবঢ়োৱা। দশক দশক ধৰি চলি অহা ভাৰত আৰু পাকিস্তানৰ সিন্ধু জল চুক্তিৰ পুনৰ বিচাৰ কৰাৰ বাবে দেশৰ সংসদত ২০০৩ চনত এক প্ৰস্তাৱ গৃহীত কৰা হৈছিল। কিন্তু এই বিষয়ে এক শক্তিশালী স্থিতি গ্ৰহণ কৰা হয় ২০১৬ চনত উৰীত হোৱা সন্ত্ৰসবাদী আক্ৰমণৰ পিছত। আচলতে পাকিস্তানে সিন্ধু জল চুক্তিৰ সুবিধা গ্ৰহণ কৰি পানীৰ কোনো অভাৱ নোহোৱাকৈ কৃষি কৰ্ম চলাই নিছে। যিহেতু এই চুক্তিখন ভাৰত আৰু পাকিস্তানৰ মাজত স্বাক্ষৰ হৈছিল গতিকে এখন দেশে আঁতৰি আহিলেই এই চুক্তি ভংগ হোৱাৰ পথ প্ৰশস্ত হৈ পৰিব। ভাৰত আৰু পাকিস্তানৰ মাজত বৰ্তমান যি পৰিস্থিতি সৃষ্টি হৈছে এনে পৰিস্থিতিত এই জল চুক্তি ভংগ হোৱাৰ সম্ভাৱনা অধিক। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে এই চুক্তি ভংগ কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে। যদি কাৰ্যত এই চুক্তি ভংগ কৰি ভাৰতে সকলো নদীৰ পানী ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে তেনেহ'লে পাকিস্তানত এক বৃহৎ জলসংকট হোৱাটো নিশ্চিত। এই জল সংকটে পাকিস্তানৰ কৃষি ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পেলাব। এই চুক্তি ভংগ হ'লে পাকিস্তানৰ অৰ্থনৈতিক সংকট আৰু অধিক গভীৰ হৈ পৰিব।

**ম'বাইল ঃ** ৬৯১৩৯-৩০৮২৯

# শ্ৰীমন্ত শংকৰদেৱ সংঘ থ্ৰিফট এণ্ড ক্ৰেডিট কো- অপাৰেটিভ চ'চাইটি লিমিটেডৰ বাৰ্ষিক সাধাৰণ সভা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিত্তীয় প্ৰতিষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘ থ্ৰিফট এণ্ড ক্ৰেডিট কো - অপাৰেটিভ চ'চাইটি লিমিটেডৰ একাদশ বাৰ্ষিক সাধাৰণ সভা ১৫ জুনত সংঘৰ নগাঁও চহৰস্থ মূল কাৰ্যালয়ত অনুষ্ঠিত হ'ব। সেই দিনা পুৱা ১১ বজাৰ পৰা এই সাধাৰণ সভা অনুষ্ঠিত হ'ব। সভা উদ্বোধন কৰাৰ পিছত বিগত সভাৰ কাৰ্যবিৱৰণী পাঠ, সভাপতিৰ অভিভাষণ পাঠ, পৰিচালন সঞ্চালকৰ প্ৰতিবেদন পাঠ আদি সম্পন্ন হ'ব। ইয়াৰ পিছতে ২০২৪ - ২৫ বিত্তীয় বৰ্ষৰ বিভাগীয় আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ পৰীক্ষাত হিচাপ দাখিল, আগন্তুক ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সমিতিৰ সাম্ভাব্য আয়-ব্যয়ৰ খতিয়ান দাখিল , বাৰ্ষিক দিনপঞ্জী আৰু কৰ্ম আঁচনি গ্ৰহণ, সমিতিৰ অংশীদাৰসকলৰ মতামত গ্ৰহণ, ঋণৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ, সঞ্চালক মণ্ডলীৰ সভাই গ্ৰহণ কৰা প্ৰস্তাৱৰ অনুমোদন আৰু লাভাংশ বিতৰণৰ ওপৰত আলোচনা আদি হ'ব। সাধাৰণ সভা সফল কৰি তুলিবলৈ চ'চাইটিৰ সভাপতি হৰেন্দ্ৰ বৰা আৰু পৰিচালন সঞ্চালক মমতা বৰকাকতিয়ে সংশ্লিষ্ট সকলোকে আহ্বান জনাইছে।

# আমাৰ শত্ৰুপক্ষক আমি সদায় নিজ কৰ্মৰ জৰিয়তে প্ৰত্যুত্ত্যৰ দিয়া উচিত

■ চন্দ্ৰ শেখৰ পৰাজুলী
বিশ্বনাথ চাৰিআলি, অসম

মানুহ মানুহৰ প্ৰধান শত্ৰু। কাৰণ একমাত্ৰ মানুহৰ বাহিৰে মানুহৰ অহিত বা অমংগল চিন্তা ভাৱনা কৰি থকিবলৈ আন কোনো জীৱ-জন্তুৰ লগতে সম্পূৰ্ণ ৰূপত বিকশিত হোৱা এক বিবেক নাথাকে। সেয়েহে আমাৰ মানৱ দেহৰ সৰ্বোচ্চ বা শক্তিশালী অংশটোক আমি বিবেক ৰূপত চিহ্নিত কৰিব পাৰোঁ। অৰ্থাৎ ধৰাতলত প্ৰাণী জগতৰ মাজত যদি মানুহৰে বিবেকবোৰ সম্পূৰ্ণৰূপে বিকশিত হৈ আছে তেন্তে অন্যান্য জীৱ জন্তুৰ তুলনাত মানুহে যে মানুহৰ শত্ৰু ৰূপত ঠিয় দি থাকে তাৰ প্ৰকৃত তাৎপৰ্যবোৰ মোৰ এতিয়ালৈকে চিন্তা শক্তিৰ বাহিৰতে আছে।

মানুহ ৰূপত জন্ম লোৱাৰ আগমুহূৰ্তৰ পৰাই মানুহৰ জীৱনত শত্ৰুৰ আৱিৰ্ভাৱ হ’বলৈ ধৰে আৰু যেনেকৈ লাহে লাহে দিনবোৰ বগৰী যাব ধৰে ঠিক সেইদৰে মানুহৰ সফলতা আৰু বিফলতাৰ ওপৰত লক্ষ্য কৰি মানুহৰ শত্ৰু পক্ষতো বৃদ্ধি হোৱা পৰিলক্ষিত হয়। আপোনাৰ জীৱনৰ বিফলতাবোৰ শত্ৰুৰ মনত আত্মসন্তুষ্টি জন্ম দিয়ে। লগতে আপোনাৰ জীৱনলৈ অহা সফলতাবোৰৰ জৰিয়তে স্বয়ংক্ৰিয় ৰূপত শত্ৰু পক্ষৰ সংখ্যা দিনক দিনে বৃদ্ধি হ’বলৈ ধৰে। এতিয়া কথা হ’ল, জীৱনত শত্ৰু পক্ষই আপোনাক পৰাপক্ষত একেবাৰে প্ৰত্যক্ষ ৰূপত একোৰেই অনিষ্ট সাধন কৰিব নোৱাৰে। গতিকে শত্ৰুবোৰে পৰোক্ষভাৱে এক নিৰ্দিষ্ট সীমালৈকে আপোনাৰ জীৱনলৈ অনিষ্ট সাধনাৰ চেষ্টা অব্যাহত ৰাখে। গতিকে আপুনি যদি দৃঢ়তাৰ সৈতে সৎ মাৰ্গত আগুৱাই যোৱাৰ প্ৰতিজ্ঞাবদ্ধ হয় তেন্তে আপোনাৰ পিছত লক্ষ্য লক্ষ্য ৰূপত শত্ৰুৱে আগুৰি ধৰিলেও আপোনাৰ জীৱনত একোকে ক্ষতিগ্ৰস্ত কৰিব নোৱাৰে। আচলতে বহু ক্ষেত্ৰতে আমি আমাৰ প্ৰত্যক্ষ বা পৰোক্ষ ৰূপত আমাৰ জীৱনলৈ আহি পৰা শত্ৰুবোৰক সঠিক অৰ্থত চিনাক্ত কৰিবলৈ সক্ষম হৈ পৰোঁ। কাৰণ আমাৰ জীৱনৰ শত্ৰুবোৰ সদায় আমাৰ অতিকৈ আপোন বুলি ধৰা মানুহৰ মাজতে লোকাই থাকে। কাৰণ আমাৰ অচিনাকি মানুহে আমাৰ কামৰ লগত কামকে প্ৰাধান্য বেচিকৈ প্ৰদান কৰে। গতিকে এতিয়া কথা হ’ল আমাৰ একেবাৰে চিনাকি মুখৰ আমাৰ শত্ৰুবোৰক আমি কেনেকৈ প্ৰত্যুত্তৰ দিব লাগে বা গোটেই জীৱনজোৰা প্ৰত্যুত্তৰ প্ৰদানৰ পৰা আতৰি থাকিব লাগে? আমি এই পৃথিৱীত জন্মগ্ৰহণ কৰি নিজ নিজ জীৱনৰ উন্নতি সাধন কৰি আগুৱাই যোৱাৰ এক মানৱীয় মৌলিক অধিকাৰ। সেয়েহে আমাৰ জীৱনত উন্নতি সাধনৰ বাবে বাধা উৎপন্ন কৰা আমাৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে দেখা দিয়া শত্ৰুসমূহক আমি সদায় নিজ কৰি কৰ্মৰ জৰিয়তে প্ৰত্যুত্তৰ দি নিজৰ মাৰ্গ সুনিশ্চিত কৰা উচিত। কাৰণ আপোনাৰ শত্ৰুপক্ষয়ে সদায় এইটোৱেই বিচাৰি থাকে যে সিহঁতৰ লগত আপুনি গৈ বাক যুদ্ধ বা শাৰীৰিক যুদ্ধত লিপ্ত হৈ পৰক। ইয়াৰ ফলত আপুনি নিজ জীৱনৰ লক্ষ্য উদ্দেশ্য পৰা সদায় বিচলিত হৈ পৰিব। শত্ৰুবোৰে যেতিয়া আপোনাৰ সমকক্ষত ঠিয় দি আগুৱাই যাবলৈ অসমৰ্থ হৈ পৰে ঠিক তেতিয়া নানান ধৰণৰ কলা কৌশল অৱলম্বন কৰি আপোনাৰ জীৱনলৈ বাধা উৎপন্ন কৰাৰ প্ৰতি অগ্ৰসৰ হোৱা দেখা যায়। গতিকে আপুনি যদি প্ৰকৃত এজন বুদ্ধিজীৱী মানুহ হয় তেন্তে শত্ৰুবোৰৰ লগত যুদ্ধ কৰি সময় ব্যতিত কৰাতকৈ শত্ৰুপক্ষক আমি সদায় নিজ কৰ্মৰ জৰিয়তে প্ৰত্যুত্তৰ দিয়া উচিত।

# শিৱসাগৰ জিলাত কাঠফুলা খোৱাত নিষেধাজ্ঞা আৰোপ জিলা আয়ুক্তৰ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** কাঠফুলাই নিদ্ৰাহৰণ কৰিছে শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ। হাবিয়ে-বননিয়ে গজি উঠা বিভিন্ন বনৰীয়া কাঠফুলা খাই বিষক্ৰিয়া হোৱাৰ ঘটনা পৰিলক্ষিত হোৱাৰ প্ৰসঙ্গত শিৱসাগৰ জিলাবাসী ৰাইজক হাবি-বননিত পোৱা কাঠফুলা খোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত আয়ুস গৰ্গ, (I.A.S) ৰ লগতে স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতাই। উল্লেখযোগ্য যে, বাৰিষা কালত সহজে বাটে-ঘাটে, হাবি-বননিয়ে উপলব্ধ হোৱা কাঠফুলাত বিভিন্ন ক্ষতিকাৰক বিষাক্ত পদাৰ্থ থাকে আৰু সেৱনৰ দ্বাৰা মৃত্যু পৰ্যন্ত হয়। এই বিষাক্ত কাঠফুলা খোৱাৰ ফলত পেটৰ বিষ, বমি, পনীয়া শৌচ, মূৰৰ বিষ আৰু জ্বৰৰ দৰে বিভিন্ন লক্ষণে দেখা দিয়ে। যদিহে কোনো ব্যক্তিয়ে বিষাক্ত কাঠফুলা খোৱা বুলি সন্দেহ কৰে, তেন্তে উল্লেখিত উপসৰ্গসমূহ দেখা দিয়া লৈ অপেক্ষা নকৰি অনতিপলমে নিকটতম স্বাস্থ্য কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিবলৈ স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। আনফালে স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতাৰ নেতৃত্বত স্বাস্থ্য বিভাগে বিষাক্ত কাঠফুলা সেৱনৰ বিৰুদ্ধে যোৱা এপ্ৰিল মাহৰ আৰম্ভণিৰে পৰা জিলাত বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে যদিও জিলাখনত বিষাক্ত কাঠফুলা খাই মৃত্যু হোৱা লোকৰ সংখ্যা বৰ্তমানলৈকেও হ্ৰাস হোৱা নাই বুলি ৰাইজে অভিযোগ কৰিছে। ইতিমধ্যে কেইবাটাও চাহ বাগিছা অধ্যুষিত অঞ্চলত বিষাক্ত কাঠফুলা ভক্ষণ কৰি কেইবাজনো লোক বিষক্ৰিয়াত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰেই দুখ প্ৰকাশ কৰাৰ লগতে বিষাক্ত কাঠফুলা সেৱন নকৰিবলৈ জিলাবাসী ৰাইজক কাতৰে আহ্বান জনাইছে।

# ৰুমাল/ হেণ্ডকাৰচিফ

■ অনামিকা (সংগীতা) কলিতা, শুৱালকুছি

এতিয়া জলবায়ু গৰম কৰবাত গ’লে এখন ৰুমাল সকলোৰে প্ৰয়োজন। কিন্তু এই ৰুমালখন ১৫শ শতাব্দীত ইংৰাজসকলে আৱিষ্কাৰ কৰিছিল। খাদ্য গ্ৰহণৰ পাচত মুখ নাক মচিবলৈ এখন টুকুৰা কাপোৰ ব্যৱহাৰ কৰিছিল পিছত ইয়াক নাম দিছিল হেণ্ডকাৰচিফ মানে ৰুমাল হিচাপে। তাৰ পিছত ৰুচি অনুযায়ী বিভিন্ন ৰূপত ৰুমালৰ ফেচন হ’ল। ৰুমাল কিছুমানৰ আকৃতি দীঘ-বহল ৪৫ ছেঃ মিঃ আৰু কিছুমানৰ ২০ ছেঃমিঃ। সুবিধা অনুযায়ী ব্যৱহাৰ কৰে। স্কুলত টিফিন খোৱাৰ পিচত হাত ধুই ৰুমাল নিশ্চয় ব্যৱহাৰ কৰা। বৰ্তমান ৰুমালৰ দৰেই নেপকিন নামৰ এবিধ বজাৰত ওলাইছে। বিভিন্ন বিয়া, সভা ইত্যাদিত খাদ্য সৈতে ধুনীয়াকৈ সজাই থৈ ব্যৱহাৰ কৰিবলৈ সহজ কিন্তু কাপোৰৰ ৰুমালৰ কথাই বেলেগ। ডাঠ পাতল ৰঙৰ বিভিন্ন কাপোৰৰ ৰুমাল পোৱা যায় কিন্তু তাঁতশালত বোৱা সূতাৰ কাপোৰৰ বা কটন কাপোৰৰ ৰুমাল ব্যৱহাৰ উপযোগী। পথত খোজ কাঢ়োতে ধূলি বালি ধোঁৱা আদি প্ৰদূষণৰ পৰা সুৰক্ষিত হ’বলৈ নাক-মুখ ঢাকিবলৈ এখন ৰুমালৰ খুবেই প্ৰয়োজনীয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাইও পাঁচশ বছৰ আগতেই মাহ-প্ৰসাদ বিতৰণ কৰোঁতা মুখখন ঢাকিবলৈ ৰুমালৰ দৰেই গামোচাৰ কাপোৰ ব্যৱহাৰ কৰা বুলি পঢ়িবলৈ পাইছোঁ। চৰ্দি কাঁহ আদি হ’লে বা হাচি মাৰিলে ৰুমালখনেৰে নিজৰ মুখখন ভালদৰে ঢাকি ৰাখি সুৰক্ষিত হয় বীজানুৰ পৰা।

**ম’বাইল ঃ ৭০০২৯-৪২৫৯১**

# সদৌ অসম ভিত্তিত ৰচনা প্ৰতিযোগিতা

অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিপৰীতে সমাজত বিজ্ঞান-মনস্কতাৰ প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী স্বেচ্ছাসেৱী অনুষ্ঠান ইলোৰা বিজ্ঞান মঞ্চৰ টিহু শাখাই সমাগত ২০ আগষ্টৰ ‘বিজ্ঞান-মনস্কতা দিৱস’ৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত ‘যতীন্দ্ৰ-ভাগীৰথী সোঁৱৰণী ৰচনা প্ৰতিযোগিতা’ৰ আয়োজন কৰিছে। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপকক ক্ৰমে ৩০০০, ২৫০০ আৰু ২০০০ টকাৰ নগদ ধনৰ লগতে প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ’ব। ৰচনাৰ বিষয় - ‘অসমৰ সমাজ জীৱনত বৈজ্ঞানিক মানসিকতাৰ গুৰুত্ব’। একাদশ শ্ৰেণীৰ পৰা স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীয়ে ১০০০ ৰ পৰা ১৫০০ শব্দৰ ভিতৰত ৰচনাখন অসমীয়াত প্ৰতিখন বগা কাগজৰ এপিঠিত ১৪ পইণ্টৰ ডিটিপি কৰি নিজৰ শিক্ষানুষ্ঠানৰ নাম, শ্ৰেণী, ৰোল নং, মোবাইল নং উল্লেখেৰে নিম্নোক্ত ডাক ঠিকনাত ৩০ জুন ২০২৫ তাৰিখৰ ভিতৰত পোৱাকৈ পঠিয়াবলৈ অনুৰোধ কৰা হ’ল। ভৰ্তি মাচুল নালাগে।

**সঞ্জীৱ দাস,** সম্পাদক, ইলোৰা বিজ্ঞান মঞ্চ, টিহু শাখা
ম’বাইল নং - ৬৯০০৫০০৬২৯
ডাক ঃ টিহু, জিলা ঃ নলবাৰী, অসম ৭৮১৩৭১

# পদ্মশ্ৰী মামাং দাইলৈ অসম সাহিত্য সভাৰ সাহিত্যসূৰ্য্য লুম্মেৰ দাই সোঁৱৰণী বঁটা

## ১ জুনত অৰুণাচলৰ পাছিঘাটত প্ৰদান কৰিব এই বঁটা



**গুৱাহাটী ঃ** ২০২৫ বৰ্ষৰ সাহিত্যসূৰ্য্য লুম্মেৰ দাই সোঁৱৰণী বঁটা অহা ১ জুনত অৰুণাচল প্ৰদেশৰ পাছিঘাটৰ গান্ধী ছেকেণ্ডেৰী স্কুল তিনিআলিত সাহিত্য সভাই সাহিত্যসূৰ্য্য লুম্মেৰ দাইৰ ৮৫ সংখ্যক জন্মদিৱস উপলক্ষে আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে পদ্মশ্ৰী মামাং দাইক প্ৰদান কৰিব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আজি কাকতলৈ প্ৰেৰণ কৰা এক সংবাদ বিজ্ঞপ্তিত জানিবলৈ দিয়া মতে— মামাং দাই অৰুণাচল প্ৰদেশৰ ইটানগৰ নিবাসী এগৰাকী ভাৰতীয় কবি, ঔপন্যাসিক তথা সাংবাদিক। উপন্যাস ‘দ্যা ব্লেক হিল’-ৰ বাবে ২০১৭ চনত তেওঁ ইংৰাজী ভাষাৰ সাহিত্য অকাদেমি বঁটা লাভ কৰে। ১৯৫৭ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে অৰুণাচল প্ৰদেশৰ পূব ছিয়াং জিলাৰ পাছিঘাটত জন্ম লাভ কৰা মামাং দাই ‘আদি জনগোষ্ঠী’ক প্ৰতিনিধিত্ব কৰা আৰু ভাৰতীয় প্ৰশাসনিক সেৱাৰ বাবে নিৰ্বাচিত অৰুণাচল প্ৰদেশৰ প্ৰথমগৰাকী মহিলা। সাংবাদিক হিচাপে কাম কৰাৰ সময়ত তেওঁ ‘দ্যা টেলিগ্ৰাফ’, ‘হিন্দুস্থান টাইমছ’ আৰু ‘দ্যা ছেন্টিনেল’ কাকতত সেৱা আগবঢ়ায়। তেওঁ ৰেডিঅ’ৰ লগতে টি.ভি. এয়াৰ আৰু ইটানগৰ দূৰদৰ্শন কেন্দ্ৰটো কাম কৰিছিল। তেওঁ ইটানগৰ প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক তথা বৰ্তমান অৰুণাচল সাংবাদিক সংগঠনৰ সভাপতি। ২০১১ চনত তেওঁ অৰুণাচল প্ৰদেশৰ পাব্লিক ছাৰ্ভিচ কমিশ্যনৰ সদস্যৰূপে নিযুক্ত হয়। ২০০৬ চনত তেওঁৰ প্ৰথম উপন্যাস ‘দ্যা লেজেণ্ডছ অফ পেনচাম’ প্ৰকাশ পায়। তাৰ পৰৱৰ্তী সময়ত ‘ষ্টুপিড কিউপিড’, ‘দ্যা ব্লেক হিল’, ‘ৰিভাৰ পয়েমছ’, ‘দ্যা বাল্ম অফ টাইম’, ‘হেমব্ৰেলাইছ লুম’ আৰু মিডচামাৰ চাৰভাইভেল লিৰিক্স’ প্ৰকাশ পায়। ‘দ্যা বাল্ম অফ টাইম’ কিতাপখন অসমীয়ালৈ অনূদিত হৈছে। ‘দ্যা স্কাই কুইন’ আৰু ‘ৰান্ছ আপন এ মুনটাইম’ তেওঁ দ্বাৰা ৰচিত লোককথাৰ চিত্ৰিত গ্ৰন্থ। তেওঁৰ অ-কাল্পনিক ৰচনাৱলীসমূহ হৈছে—‘অৰুণাচল প্ৰদেশ ঃ দ্যা হিডেন লেণ্ড’ আৰু ‘মাউণ্টেইন হাৰভেষ্ট ঃ দ্যা ফুড অফ অৰুণাচল প্ৰদেশ’ আদি। অৰুণাচল প্ৰদেশ লিটাৰেৰী ছাছাইটিৰ সাধাৰণ সম্পাদক তথা উত্তৰ-পূব লেখক ফ’ৰামৰ সদস্য, সাহিত্য আৰু সংগীত-নাটক অকাডেমিৰ সাধাৰণ পৰিষদৰ সদস্য পদত সেৱা আগবঢ়োৱা ইংৰাজী ভাষাৰ সাহিত্য অকাডেমি বঁটা প্ৰাপক পদ্মশ্ৰী মামাং দাইক এই বঁটা প্ৰদানেৰে অসম সাহিত্য সভাই অসম আৰু অৰুণাচল প্ৰদেশৰ ভাতৃত্ববোধক অধিক শক্তিশালী কৰিব আশা ব্যক্ত কৰিছে। উল্লিখিত যে, এই বঁটা প্ৰাপক নিৰ্বাচনৰ বাবে সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীৰ পৌৰোহিত্যত অলপতে অনুষ্ঠিত এখন সভাত নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰগুপ্ত কাশ্যপ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° হিতেশ ডেকা, কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰশান্ত চক্ৰৱৰ্তী, অৰুণাচল প্ৰদেশৰ অৱসৰপ্ৰাপ্ত উপ-পৰিদৰ্শক তথা সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গিৰীণ তামুলী আৰু সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা উপস্থিত থাকে।




Janasanyog RO no 359/25/30-May-25

# ৰঙামাটিসহ দক্ষিণ কামৰূপৰ বিভিন্ন প্ৰান্তত আন্ধাৰ নামি অহাৰ পাছতেই বন্য হস্তীৰ অবাধ বিচৰণ

## বহু লোকৰ ভাঙিছে পকী দেৱাল ঃ এজন লোক নিহত, বনাঞ্চললৈ বন্য হস্তীক খেদি পঠিওৱাৰ বাবে ব্যৱস্থা গ্ৰহণ

**অনিল কলিতা, পলাশবাৰী ঃ** দক্ষিণ কামৰূপৰ অন্যতম ব্যৱসায়িক কেন্দ্ৰস্থল স্বৰূপ বিজয়নগৰৰ কাষৰীয়া জনবহুল বৃহত্তৰ ৰঙামাটিৰ লগতে নহিৰা, ভাগৱতীপাৰা, বাটৰহাট, ৰামপুৰ, মণিয়েৰী তিনিআলী, মিৰ্জা আদি বৃহত্তৰ অঞ্চলৰ কেইবাখনো গাঁৱত বিগত দিনকেইটাত বনৰীয়া হাতীৰ এটা জাকৰ মুক্ত বিচৰণে অঞ্চলটোৰ লোকসকলক শংকিত কৰি তুলিছে। বিশেষকৈ সন্ধিয়া আন্ধাৰ নামি অহাৰ পাছতেই বাটে-পথে, বাৰীয়ে-ঘৰে আৰম্ভ হয় হাতীৰ মুক্ত বিচৰণ। খাদ্যৰ সন্ধানত ওলাই অহা ছয়-আঠজনীয়া বনৰীয়া হাতীৰ জাক এটাই কেতিয়াবা একেলগে আৰু কেতিয়াবা ভাগ ভাগ হৈ বিগত কেইটামান দিনত বহু লোকৰ পকী দেৱাল আৰু বাঁহৰ বেৰ ভাঙি বাৰীত সোমাই কলগছ, কুঁহিয়াৰ, শাক-পাচলিকে ধৰি বিভিন্ন ঋতুকালীন খেতি খাই আৰু গছকি নষ্ট কৰি পেলোৱাত বাসিন্দাসকল ভীষণ অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। আনকি মাজে সময়ে দিনৰ ভাগতে কেবাটাও হাতীক পথাৰত ঘূৰি থকা প্ৰত্যক্ষ কৰি হাতীৰ আক্ৰমণৰ আশংকাত চিন্তিত হৈ পৰিছে। জানিব পৰা মতে বিগত কেইদিনত নিশাৰ ভাগত হাতীৰ জাকটোৱে ৰঙামাটিৰ বামুণ মহিলাপাৰা, কলিতাপাৰা, মালিপাৰা, বাকাৰাপাৰা চকৰিপাৰা আদি অঞ্চলৰ কেবাঘৰ লোকৰ ঘৰৰ চৌহদৰ পকী আৰু নতুনকৈ দিয়া বাঁহৰ বেৰ ভাঙি বাৰীত সোমাই তাণ্ডৱ চলাইছে। যাৰ বাবে সন্ধিয়া হ'লেই হাতীৰ আক্ৰমণৰ আশংকাত জনবহুল অঞ্চলটোৰ বাসিন্দাসকল শংকিত হৈ পৰিছে। এই সন্দৰ্ভত ৰঙামাটি অঞ্চলৰ ৰাইজে জানিবলৈ দিয়া মতে পূৰ্বতেও ৰাইজে হাতীৰ উপদ্ৰৱ সন্দৰ্ভত স্থানীয় লোহাৰঘাট বনাঞ্চলিক বিষয়া কাৰ্যালয়ক কেইবাবাৰো অৱগত কৰিছিল। কিন্তু পৰ্যাপ্ত বনকৰ্মী নথকাৰ অজুহাতত বন বিভাগে বিষয়টোত বিশেষ গুৰুত্ব আৰোপ কৰা নাই। একেদৰে বিগত প্ৰায় দুই-তিনি মাহ ধৰি গোৱালপাৰা-জালুকবাৰী সংযোগী ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰীয়া বাটৰহাত, ভাগৱতীপাৰা আৰু কিছু নিলগৰ নহিৰা আদি গাঁৱতো বনৰীয়া হাতীৰ মুক্ত বিচৰণৰ বাবে সন্ধিয়া হ'লেই বহু লোক ঘৰৰ ভিতৰতে সোমাই থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত অঞ্চলটোৰ ৰাইজে বন্য হস্তীৰ চাৰি-পাঁচজনীয়া দলটোক খেদি পথাবলৈ বহুবাৰ আবেদন জনাইছিল। আনকি বনৰীয়া হাতীৰ জাক সন্মুখত কেইবাবাৰো বিভিন্ন লোক সন্মুখত পৰি মৃত্যুৰ মুখৰ পৰা বাচি আহিছিল। দীৰ্ঘদিন ধৰি দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলৰ লগতে বৃহত্তৰ ৰঙামাটি অঞ্চলত চলি থকা বন্যহস্তীৰ উপদ্ৰৱত হাহাকাৰময় পৰিৱেশ সৃষ্টি হৈ থকাৰ মাজতে ১৬ মে'ৰ সন্ধিয়া বনৰীয়া হাতীৰ গছকত এজন লোকৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোৰ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। বৰ্তমানো অঞ্চলটোত চেপা উত্তেজনা অব্যাহত আছে। ঘটনা সন্দৰ্ভত কামৰূপ বন সংমণ্ডল অধীনস্থ লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ৰঙামাটি ৩ নং মেধীপাৰাৰ নিবাসী অশোক কুমাৰ দাস (৫৩) নামৰ লোকজনে আবেলি ছাগলীৰ পাত কাটিবলৈ বুলি ঘৰৰ পৰা ওলাই আহিছিল। ৰঙামাটি হাইস্কুলৰ পিছফালে থকা ঘন জংঘলত ছাগলীৰ পাত কাটি থকা অৱস্থাত পাতৰ আঁৰত হাতীৰ জাকটো সোমাই আছিল যদিও লোকজনে প্ৰত্যক্ষ কৰা নাছিল। তেনে সময়তে হাতীৰ জাকটোৰ পৰা কোনোবা এটি হাতীয়ে খেদি আহি অশোক কুমাৰ দাসক আক্ৰমণ কৰে। ফলত থিতাতে নিহত হৈছিল অশোক কুমাৰ দাস নামৰ লোকজনে। পিছত স্থানীয় ৰাইজে বন্যহস্তীৰ আক্ৰমণত নিহত অশোক দাসৰ ঘটনাকলৈ ১৭ মে'ৰ বিয়লিৰ ভাগত ৰঙামাটিত এখন প্ৰতিবাদী সভা আৰু এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰিছিল। কিন্তু এই প্ৰতিবাদী সভা আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত চৰকাৰ, বনবিভাগ আৰু আৰক্ষী প্ৰশাসন আনকি বিধায়ক হেমাংগ ঠাকুৰীয়াই অংশগ্ৰহণ নকৰাত জাতীয়তাবাদী নেতা পংকজলোচন গোস্বামীয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। প্ৰতিবাদী সভাত বনবিভাগ, বিধায়ক তথা ৰাজনীতিবিদ সকলক বিভিন্নজনে ভিন্ন কথাৰে সমালোচনা কৰি থকাৰ সময়ত সভাত সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰ। আনহাতে ৰঙামাটি অঞ্চলটোৰ পৰা বন্যহস্তীৰ উপদ্ৰৱৰ ৰোধ কৰিবলৈ চৰকাৰলৈ দাবী উত্থাপন কৰে। আনহাতে যোৱা ১৯ মে'ত ৰঙামাটি অঞ্চলবাসীয়ে একাংশ দল-সংগঠনৰ প্ৰতিনিধিৰ উপস্থিতিত পলাশবাৰী ৰাজহ চক্ৰৰ বিষয়া ড° অংকিতা শৰ্মাৰ হাতত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। এই স্মাৰকপত্ৰৰ জৰিয়তেই তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ অঞ্চলটোত আৱদ্ধ হৈ থকা বন্যহস্তীকেইটা জনাঞ্চলৰ পৰা নিৰাপদ স্থানলৈ খেদি পঠিওৱা, স্থানান্তৰ নোহোৱা পৰ্যন্ত এই গাঁৱত পৰ্যাপ্ত বনকৰ্মী নিয়োগ কৰা, বন্যহস্তীৰ আক্ৰমণত নিহত অশোক দাসৰ পৰিয়াললৈ তাৎক্ষণিকভাৱে ৫ (পাঁচ) লাখ টকাৰ ক্ষতিপূৰণৰ ব্যৱস্থা কৰা, যিহেতু অশোক দাস পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল সেয়েহে বিভাগীয়ভাৱে পৰিয়ালৰ যিকোনো এজন সদস্যক স্থায়ী আয়ৰ উৎস দিয়াৰ ব্যৱস্থা কৰাৰ দাবী উত্থাপন কৰে। উল্লেখ্য যে, ইমানবোৰ বিভাগ থকা স্বত্বেও এই অঞ্চলটোত এই বন্যহস্তী আৰু মানুহৰ মাজত সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। ইতিমধ্যেই বহুকেইজন লোক নিহত হোৱাৰ উপৰি আহত হৈ চিকিৎসাধীন অৱস্থাত আছে। কিন্তু বিশেষ স্থায়ী সমাধানৰ বাবে খবৰ কৰিবলৈ সময় নাই বিধায়ক, বনবিভাগ তথা আৰক্ষী প্ৰশাসনৰ। ৰাইজে বন বিভাগক কোনো ধৰণৰ সংৰক্ষিত বনাঞ্চল তথা হাতীৰ বিচৰণথলী নোহোৱা ঠাইত উপদ্ৰৱৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ বন বিভাগৰ উৰ্ধতম কৰ্তৃপক্ষক দাবী জনোৱাৰ লগতে এইক্ষেত্ৰত পশ্চিম কামৰূপ বন সংমণ্ডলৰ বন সংমণ্ডল প্ৰাধিকাৰীৰ হস্তক্ষেপ আৰু তৎপৰতা কামনা কৰিছে। কিয়নো কোনো ধৰণৰ সংৰক্ষিত বনাঞ্চল নথকা উল্লিখিত জনবহুল অঞ্চলৰ পৰা বনৰীয়া হাতীকেইটা যদি খেদি পঠিয়াবলৈ বন বিভাগে স্থায়ী ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে অনাগত দিনত অঞ্চলটোত আকৌ হাতী-মানুহৰ সংঘাত হোৱাটো নিশ্চিত বুলি আশংকা কৰা হৈছে। আনহাতে অলপতে পলাশবাৰী সমষ্টিৰ জনবসতি অঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীৰ জাকটোক বনাঞ্চলৰ দিশে খেদি পঠিয়াবলৈ প্ৰশাসনিকভাৱে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। লগতে উচ্চপ্ৰশিক্ষণপ্ৰাপ্ত বিশেষজ্ঞ দলৰ নেতৃত্বত উক্ত কাৰ্যসূচীত সমূহ ৰাইজকে সহায় সহযোগ কৰিবলৈ বিনম্ৰ আহ্বান জনাই বিধায়ক হেমাংগ ঠাকুৰীয়াই। ইফালে বন বিভাগে বন্য হস্তী নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত স্থানীয় প্ৰশাসনৰ নিৰ্দেশ অনুসৰি ৰামপুৰ শিক্ষা খণ্ডৰ অন্তৰ্গত সকলো বিদ্যালয়সমূহ দিনৰ ১২ বজাৰ পিছত বন্ধ ৰাখে।

# শিৱসাগৰত স্বাস্থ্য সমিতিৰ জিলা ভিত্তিক পৰ্যালোচনা সভা সম্পন্ন

## শিশু আৰু প্ৰসূতি মৃত্যু ৰোধ কৰাত বিফল জিলা স্বাস্থ্য বিভাগ ঃ সচেতন নাগৰিক



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা আয়ুক্ত ভৱনৰ চ্যুকাফা সভাকক্ষত জিলা আয়ুক্ত আয়ুস গৰ্গ, IAS ৰ সভাপতিত্বত যোৱা ২৬ মে'ত শিৱসাগৰ জিলা ভিত্তিক স্বাস্থ্য সমিতিৰ শিশু আৰু প্ৰসূতি মৃত্যুৰ এক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মে (ACS) ই সভাত উপস্থিত থকা সকলোকে সম্ভাষণ জনায়। জিলা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতাই সভাৰ মূল উদ্দেশ্য ব্যাখ্যা কৰে। তাৰ পাছতেই জিলা স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভাখনিত স্বাস্থ্য বিভাগৰ প্ৰতিটো সুচাঙ্কৰ লগতে জিলাখনত দৈনিক বৃদ্ধি পাবলৈ ধৰা শিশু আৰু প্ৰসূতি মৃত্যুৰ সন্দৰ্ভত পৰ্যালোচনা কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি জানিব পৰা গৈছে। আনহাতে শিৱসাগৰ জিলাৰ সচেতন মহলে স্বাস্থ্য বিভাগৰ দ্বাৰা বাৰাম্বাৰ অনুষ্ঠিত হৈ থকা এনেধৰণৰ পৰ্যালোচনা সভাসমূহে জিলাখনত দৈনিক বৃদ্ধি পোৱা শিশু আৰু প্ৰসূতি মৃত্যুৰ সংখ্যা ৰোধ কৰিবলৈ সক্ষম হোৱা নাই বুলি সংবাদ মাধ্যমৰ যোগেদি অভিযোগ উত্থাপন কৰিছে। উক্ত পৰ্যালোচনা সভাত শিৱসাগৰ জিলাৰ স্বাস্থ্য বিভাগৰ শাখা বিষয়া পৰিস্মিতা দিহিঙ্গীয়া (ACS) কে ধৰি প্ৰতিটো আমব্ৰেলা প্ৰগ্ৰেমৰ ন'ডেল বিষয়া, জিলা প্ৰতিষেধক বিষয়া, জিলা যক্ষ্মা বিষয়া, ডিমৌ আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক, ডিমৌ সামূহিক স্বাস্থ্যকেন্দ্ৰৰ অধীক্ষক, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক, কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া SDCH, লিগিৰীপুখুৰীৰ অধীক্ষক, শিৱসাগৰ আৰ্বানৰ মহকুমা স্বাস্থ্য বিষয়াৰ লগতে সদস্যসকল, কেইবাজনো চিকিৎসক ও স্বাস্থ্য বিষয়া, আটাইকেইটা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া, জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনৰ লগতে ডি পি এম ইউ আৰু বি পি এম ইউৰ সদস্যসকল উপস্থিত থাকে।

# নগাঁও মাৰোৱাৰী হিন্দী হাইস্কুলত কৃতী ছাত্ৰছাত্ৰীক সম্বৰ্ধনা

## ত্যাগ পৰিশ্ৰম কৰিলে সফলতা লাভ কৰিবই ঃ বিনোড খেটাৱত




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও মাৰোৱাৰী হিন্দী হাইস্কুলত বিদ্যালয়খনৰ পৰা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক কিশোৰ কুমাৰৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সমাজ সেৱক বিনোড খেটাৱতে কয় যে-সফলতা এনেই নাহে। সফলতা আজুৰি আনিব লাগিব। ত্যাগ আৰু পৰিশ্ৰম সঠিকভাৱে কৰিলে এশ শতাংশই সফলতা লাভ কৰিব পাৰি। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক পাঠ্যক্ৰমৰ লগত প্ৰয়োজনীয় আন পাঠ্যক্ৰমবো অধ্যয়ন কৰিবলৈ আহ্বান জনায়। সভাত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ওম প্ৰকাশ জাজাদিয়া, উপ-সভাপতি সুনীল কুমাৰ আলমপুৰীয়াই ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত পৌৰসভাৰ ১ নং ৱাৰ্ডৰ আয়ুক্ত মল্লিকা সূত্ৰধৰে অংশগ্ৰহণ কৰে। শিক্ষক দীপক কুমাৰ গিনোৰীয়াই আঁতধৰা সভাখনত এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক মুখ্য অতিথি আদিয়ে মানপত্ৰ, উপহাৰ, গামোছা আদিৰে সম্বৰ্ধনা জনায়। সভাত বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী প্ৰয়াত পাৰুল শৰ্মা মেমৰিয়েল পুৰস্কাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়ৰ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা হয়।

# নগাঁৱৰ জটীয়া কছাৰীত দ্য নৰ্থ ইষ্ট ইণ্ডিয়ান মঙ্গলিয়ান ফৰ্মৰ কমিটি গঠন

**চন্দন শৰ্মা, তেজপুৰ ঃ** নগাঁও জিলাৰ আমনিৰ পৰা প্ৰায় আঠ কিলোমিটাৰ ভিতৰত বড়ো, ৰাভা, কাৰ্বি আৰু লিম্বু সম্প্ৰদায় লোকৰ বসতিস্থল জটীয়া কছাৰীস্থিত প্ৰাথমিক বিদ্যালয়ত দেওবাৰে দ্য নৰ্থ-ইষ্ট ইণ্ডিয়ান মঙ্গলিয়ান ফৰ্মৰ এখন সবল কমিটি গঠন কৰা হয়। সংস্থাটোৰ কমিটিখন ১৩ জনীয়া সদস্যৰে অন্তৰ্ভুক্ত কৰি গঠিত হয়। উক্ত সভাত সভাপতিৰ আসন অলংকৃত কৰে কেন্দ্ৰীয় কমিটিৰ কাৰ্যকৰী সভাপতি বিপ্লৱ চাংমাই, বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে কেন্দ্ৰীয় কমিটিৰ যুটিয়া চিফ এডভাইজাৰ মুক্তেশ্বৰ ক্ষেমপ্ৰায়, সভাপতি প্ৰতাপ বৰ্মণ, উপ-সম্পাদক তথা মানৱ অধিকাৰ আয়োগৰ সঞ্চালক ও মহাজাতি টুৱেন্টি ফ'ৰ লাইভৰ স্বত্বাধিকাৰ ড° পৰশমণি সিংহ, সদৌ ৰাভা ছাত্ৰ সন্থাৰ সভাপতি প্ৰমোদ ৰাভাৰ লগতে বহুকেইজন গণ্য মান্য ব্যক্তি। দ্য নৰ্থ-ইষ্ট ইণ্ডিয়ান মঙ্গলিয়ান ফৰ্মৰ কেন্দ্ৰীয় কমিটিৰ পৰিচালন সম্পাদক বসন্ত লিম্বুৱে আঁত ধৰা অনুষ্ঠান ভাগৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল সকলো পাহাৰীয়া ট্ৰাইবেল লোকৰ লগতে বড়ো, কাৰ্বি, লিম্বু, ৰাভা সম্প্ৰদায়ৰ লগতে সকলো ট্ৰাইবেল লোকসকলৰ ভূমি সংৰক্ষণ, ভূমি অধিকাৰৰ লগতে তেওঁলোকৰ বিভিন্ন সমস্যাৰ সন্দৰ্ভত মাত মাতি অহাৰ লগতে সু-পৰামৰ্শ দিয়াৰ।

# নগাঁৱৰ গোমোঠাগাঁৱত গীত-মাত-নৃত্যৰে মুখৰিত 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ সাহিত্যানুষ্ঠান

## শতাধিক সাহিত্যানুৰাগীৰ উপস্থিতিত বৃহত্তৰ অঞ্চলৰ কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন



**নগাঁও ঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা হিচাপে পৰিচিত নগাঁও জিলাৰ 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ 'সাঁকো আলোচনা চক্ৰ'ৰ ব্যৱস্থাপনাত 'সাহিত্যৰ মৌ পান চোতালে চোতালে' শীৰ্ষক ২৮ সংখ্যক সাহিত্যানুষ্ঠানটি ২৫ মে'ৰ বিয়লি গোমোঠাগাঁৱত এক মনোৰম পৰিৱেশত অনুষ্ঠিত হৈ যায়। 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ অন্যতম উপ-সভাপতি তথা বিষয় শিক্ষয়িত্ৰী দীপিকা বৰাৰ পৰিয়ালবৰ্গৰ আমন্ত্ৰণ ক্ৰমে তেখেতসকলৰ বাসগৃহ প্ৰাংগণত অনুষ্ঠিত এই অনুষ্ঠানত সভাপতিত্ব কৰে শাখাৰ সভাপতি গোলাপ বৰাই আৰু সাহিত্যানুষ্ঠানটি সঞ্চালনা কৰে 'সাঁকো আলোচনা চক্ৰ'ৰ সভাপতি ৰিন্টু দাসে। মূল অনুষ্ঠানৰ আৰম্ভণিতে কৃতী প্ৰধান শিক্ষক প্ৰয়াত জয়ৰাম বৰা আৰু আদৰ্শবান মাতৃ বীণাপাণি বৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, শাখাৰ শিল্পীসকলৰ দ্বাৰা অসম সাহিত্য সভাৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক প্ৰতীকী গীত পৰিৱেশন আৰু সদ্যপ্ৰয়াত শিল্পী গায়ত্ৰী হাজৰিকা প্ৰমুখ্যে বৰেণ্য শিল্পী-সাহিত্যিকসকলৰ বিদেহ আত্মাৰ সদগতি কামনাৰে সমৱেতসকলে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। ইয়াৰ পিছতে 'সাঁকো আলোচনা চক্ৰ'ৰ সম্পাদক বসন্ত কৌশিক ভাগৱতীয়ে আঁত ধৰা নিয়মীয়া সাহিত্য পাঠ অনুষ্ঠানত মাধবী দাস, অৰুণিমা বৰা, তৃপ্তিৰেখা কাকতি, মীনা বৰা, কুমাৰ বিভূতি, গোলাপ বৰা (ধন), মালা বৰুৱা, দিপালী দেৱী, শেৱালী বৰুৱা, ঋবী বৰা, কেশৱ বৰা, দীপ জ্যোতি শইকীয়া আদিয়ে স্ব-ৰচিত লেখা পাঠেৰে পৰিৱেশটো সজীৱ কৰি তোলে। অনুষ্ঠানত বসন্ত কৌশিক ভাগৱতীৰ লগতে টীনাশ্ৰী বৰাইও এটিকৈ কবিতা আবৃত্তিৰে পৰিৱেশটো অধিক জীপাল কৰি তোলে। উক্ত অনুষ্ঠানত বিশেষ আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি তথা নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে ভাষণ প্ৰদান কৰি সম্পৰ্ক আৰু সম্বন্ধৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে উল্লেখ কৰি কয় যে তেজৰ সম্পৰ্ক আমাৰ মাজৰ এজনৰ লগত আন এজনৰ নাথাকিব পাৰে কিন্তু এনে অনুষ্ঠানৰ জৰিয়তে আমাৰ মাজত এক আন্তৰিক সম্বন্ধ গঢ় লৈ উঠিব পাৰে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াই অনুষ্ঠানটোৰ ভূয়সী প্ৰশংসা কৰে। আনহাতে জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাইও ভাষণ প্ৰসংগত সাহিত্য সমাজত 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ অৱদানৰ বিষয়ে উল্লেখ কৰি অনুষ্ঠানটিত উপস্থিত থাকি আনন্দিত হোৱা বুলি মন্তব্য কৰে। অনুষ্ঠানত সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট শিল্পী, বৰ্ষীয়ান নাগৰিক ভাবুৰাম কেওতেও ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানতে 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ অন্তৰ্গত অঞ্চলৰ তথা সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ১২ গৰাকী শিক্ষাৰ্থী ক্ৰমে উদিতা বৰা, জোনাক নিবিড় বড়া, হিমাশ্ৰী বনিয়া, আৰ্যনীল গায়ন, স্বপ্নিল বৰা, টিনাশ্ৰী প্ৰিয়ম বৰা, হিমাংশু কাশ্যপ, বৰ্ণালী হাজৰিকা, জুমি কলিতা, নয়না নন্দিনী বৰা, নয়ন জ্যোতি বৰা, পিংকু শইকীয়াক কৃতী প্ৰধান শিক্ষক প্ৰয়াত জয়ৰাম বৰা আৰু আদৰ্শবান মাতৃ বীণাপাণি বৰা সোঁৱৰণী শৈক্ষিক ন্যাস পুঁজিৰ জৰিয়তে ফুলাম গামোচা, নগদ ধনৰ টোপোলা, ট্ৰফী, গ্ৰন্থ আদিৰে অভিনন্দন জনোৱা হয়। ন্যাস পুঁজিটোৰ সভাপতি তথা পৰিয়ালবৰ্গৰ হৈ উৎপল নাৰায়ণ বৰাই তেওঁলোকৰ প্ৰয়াত পিতৃয়ে কেনেদৰে কষ্টকৰ জীৱনৰ মাজেৰে শিক্ষাৰ দেওনা পাৰ হৈছিল সেই বিষয়ৰ লগতে তেওঁলোকৰ মাতৃৰ অৱদানৰ বিষয়েও স্মৃতিচাৰণ কৰে। তেওঁ লগতে কয় যে পিতৃ-মাতৃৰ প্ৰতি আমাৰ ভক্তি ভাব আমাৰ আজীৱন সজীৱ হৈ থাকিব আৰু তেওঁলোকৰ আদৰ্শক সৰোগত কৰি আমি এই ন্যাসৰ জৰিয়তে প্ৰতি বছৰে শৈক্ষিক বঁটা আগবঢ়াই যাম লগতে কোনো মেধাৱী শিক্ষাৰ্থীয়ে যদি আৰ্থিকভাৱে অসুবিধাত পৰে তেনেহ'লে আমি সাধ্যানুসৰি সহায় কৰিবলৈ চেষ্টা কৰিম। শাখাৰ উপ-সভাপতি দীপিকা বৰা, সম্পাদক দীপাংকৰ ভূঞা, যুটীয়া সম্পাদক জয়ন্ত বৰাৰ সহযোগিতাত সামগ্ৰিকভাৱে পৰিচালিত হোৱা এই অনুষ্ঠানত নগাঁও জিলা সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক মহেশ নাথ, ঐতিহ্য সংৰক্ষণ উপ-সমিতিৰ উপ-সভাপতি সুৰজিৎ গোস্বামী, শাখাৰ প্ৰাক্তন সভাপতিদ্বয় কমলা কান্ত বৰা, থুলেশ্বৰ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক দয়াৰাম কলিতা, বঢ়মপুৰ শাখা সাহিত্য সভাৰ সভাপতি প্ৰদীপ শইকীয়া, জিলা সাহিত্য সভাৰ অন্যতম সাংগঠনিক সম্পাদক কুমুদ চন্দ্ৰ বৰা, শাখাৰ উপ-সভাপতি কিৰণ নেওগ, অৱসৰপ্ৰাপ্ত শিক্ষক বিৰিঞ্চি কুমাৰ বৰা, পুনিৰাম শইকীয়া, সোনাৰাম বৰা, তগৰ গোস্বামী, জগমোহন বৰা, মুকুল শৰ্মা, মিত্ৰ কমল বৰা, দিলীপ শইকীয়া, বৈজয়ন্তী খাউণ্ড, তুলু হাজৰিকা, ললিতা হাজৰিকা, মৰমী দাস কৰণ, অঞ্জলি বৰকাকতি, জুপিতৰা গায়ন, আত্মজা বৰা প্ৰমুখ্যে শতাধিক সাহিত্যানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানত কণ্ঠশিল্পী, সুৰকাৰ গোলাপ বৰা, উদীয়মান শিল্পী নৱমল্লিকা কাশ্যপে এটাকৈ গীত পৰিৱেশন, শিশুশিল্পী জ্যোতিশিখা বৰা আৰু নয়না নন্দিনী বৰাই সত্ৰীয়া নৃত্য পৰিৱেশনেৰে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। অনুষ্ঠানত পঠিত কবিতাসমূহৰ সমীক্ষা আগবঢ়ায় লেখক, বিষয় শিক্ষক নয়ন জ্যোতি নেওগে। শেষত সমজুৱাৰ হৈ বক্তব্য প্ৰদান কৰে বিশিষ্ট কবি, লেখক অনিল কুমাৰ শৰ্মাই। উল্লেখ্য যে অনুষ্ঠানত অংশগ্ৰহণ কৰা অতিথিবৃন্দক ফুলাম গামোচা, কিতাপ, গছপুলি আদিৰে আয়োজক পৰিয়ালবৰ্গই আদৰণি জনায়।

# নগাঁৱত স্থগিত ৰখা হনুমান বানিজ্য ও আনন্দ মেলা পুনৰ আৰম্ভ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** পঞ্চায়তৰ নিৰ্বাচন উপলক্ষে স্থগিত কৰি ৰখা হনুমান বানিজ্য ও আনন্দ মেলা যোৱা ২২ মে'ৰ পৰা অহা ১৬ জুনলৈ চলিব বুলি মেলাৰ সমিতিৰ বিষয়ববীয়া সকলে জানিবলৈ দিয়ে। প্ৰতি বৰ্ষৰ দৰে এইবাৰো নগাঁও কলঙৰ বাকৰি নেহেৰুৱালিত উদ্‌যাপিত কৰি অহা হনুমান মেলাৰ পুনৰ আৰম্ভ কৰা হয়। বিগত বৰ্ষ সমূহৰ তুলনাত এইবাৰ অতি আটকধুনীয়াকৈ তথা কেইবাটাও বহিঃৰাজ্যৰ আলোকসজ্জাৰ সহিতে অনুষ্ঠিত কৰা মেলাখনিত শিশু, যুৱক-যুৱতী সকলৰ বাবে এক আৰ্কষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। সেয়ে চলিত মেলা কেইদিনত নগাঁওবাসী ৰাইজৰ উপস্থিতি উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়াসকলে কামনা কৰিছে।

# সম্ভাব্য বানপানীৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় জিলাৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ সকলো ব্যৱসায়ীলৈ জিলা প্ৰশাসনৰ জৰুৰী নিৰ্দেশনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** সম্ভাব্য আগন্তুক বানপানীৰ প্ৰতি লক্ষ্য ৰাখি অত্যাৱশ্যকীয় সামগ্ৰীৰ সকলো ব্যৱসায়ীক জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যৱসায়ীসকলে নিজ ব্যৱসায়িক প্ৰতিষ্ঠানত সকলো সময়তে অত্যাৱশ্যকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিব লাগিব। গ্ৰাহকে সহজতে দেখা পোৱাকৈ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত সামগ্ৰীৰ ষ্টক আৰু মূল্যৰ স্পষ্ট তথ্য সম্বলিত এখন বৰ্ড ৰাখিব লাগিব। ইয়াৰোপৰি প্ৰতিদিন পুৱা ১০ বজাৰ ভিতৰত দৈনিক ৰিটাৰ্ণ জমা দিব লাগিব। আনহাতে, অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যৱসায় কৰা সকলো পাইকাৰী বিক্ৰেতাই খুচুৰা বিক্ৰেতাক কেচ মেম দিব লাগিব যাতে ইয়াৰদ্বাৰা কোনো কাৰণতে গ্ৰাহকৰ পৰা সমগ্ৰীৰ বাবদ কোনো ধৰণৰ অত্যধিক মূল্য লোৱা নহয়।

# অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ আৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ মাজত বুজা বুজি চুক্তি স্বাক্ষৰিত



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ মাজত এখন বুজা-বুজি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি দুয়োটা অনুষ্ঠানে একেলগে বুৰঞ্জীমূলক গৱেষণা আৰু অন্যান্য শিক্ষামূলক লগতে ক্ৰীড়াৰ বুৰঞ্জী বিষয়ক কাম-কাজ কৰাৰ উপৰিও শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱৰ দ্বাৰা প্ৰৱৰ্তিত মায়ামৰা বৈষ্ণৱ ধৰ্মৰ কাল সংহতিৰ অন্তৰ্গত সত্ৰ সমূহৰ উন্নতি আৰু তেওঁলোকৰ সত্ৰ সমূহত সংৰক্ষিত প্ৰাচীন গ্ৰন্থৰাজি সংৰক্ষণ আৰু পৰিবৰ্দ্ধনৰ কাৰণেও কাম কৰাৰ বাবেও সন্মত হয়। প্ৰাচীন অসমৰ ক্ৰীড়া আৰু যোগৰ উৎস আৰু বিকাশৰ বিষয়েও দুয়োটা পক্ষই সন্মিলিতভাৱে কম কৰিব। এই অনুষ্ঠানত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক জয় প্ৰকাশ বাৰ্মা, পৰীক্ষা নিয়ন্ত্ৰক অৰিঞ্জিত হাজৰিকাকে আদি কৰি বিষয়া-কৰ্মচাৰীবৃন্দ আৰু অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ হৈ সঞ্চালক ড° সংগীতা গগৈ, গৱেষণা বিষয়া নম্ৰতা কাকতি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে।

# সৎসংগী, ধৰ্মপৰায়ণ মহিলা মায়া দাসৰ দেহাৱসান

**গোলাঘাট ঃ** বুধবাৰে পুৱা ৯ বজাত ইহলীলা সম্বৰণ কৰে বিশিষ্ট সৰবৰহী মহিলা মায়া দাসে। ১৯৩৮ চনৰ ৩০ জুলাই তাৰিখে গোলাঘাটত জন্মগ্ৰহণ কৰা মায়া দাস আছিল অতি সৎ, সাদৰী আৰু ধৰ্মপৰায়ণ মহিলা। তেখেতৰ পিতৃৰ নাম আছিল পূৰ্ণচন্দ্ৰ দত্ত আৰু মাতৃৰ নাম আছিল পুতৌ দত্ত। ১৫ বছৰ বয়তে তেওঁ বিশিষ্ট চিকিৎসক ডাঃ ৰায় মোহন দাসৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। মায়া ঠাকুৰ আছিল অনুকূল ঠাকুৰৰ শিষ্য। মানৱ সেৱা ঈশ্বৰৰ প্ৰতি নিজকে উৎসৰ্গা কৰিছিল মায়া দাসে। মৃত্যুৰ সময়ত তেখেতে দুজন পুত্ৰ, এগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়। মায়া দাসৰ মৃত্যুৰ পিছত এতিয়া পৰিয়াল, সমগ্ৰ অঞ্চলটো আৰু অনুকূল ঠাকুৰৰ শিষ্যসকলৰ মাজত শোকৰ ছাঁ বিৰাজ কৰিছে।

# এজাক বৰষুণ

মেৰী বৰদলৈ
নগাঁও, ফুলগুৰি

পুৱাতেই এজাক বৰষুণ
আহিছিল
বৰষুণজাকৰ
প্ৰতিটো টোপালক
আলফুলে দুহাতত
খামুচি লৈছিলোঁ
খেপিয়াইছিলোঁ
প্ৰতি টোপাল
বৰষুণত
তোমাৰ প্ৰেমৰ ঠিকনাটি

এজাক বৰষুণ আহিছিল
পুৱাতেই
হেঁপাহেৰে খিৰিকীখন
খুলি দিছিলোঁ
আহক বুলি
হৃদয় জুৰোৱা
সুৰ এটি হৈ
তোমাৰ ভালপোৱা
টোপোলাটি

পুৱাতেই এজাক বৰষুণ
আহিছিল
বৰষুণজাকৰ শব্দত
ঘনাই বাঢ়িছিল
মনৰ উচপিচনি
উকা বুকুখনিত
নিগৰাই দিলেহি
তোমাৰ নামতেই
এটি মৃদু গুণগুণনি

পুৱাতেই এজাক বৰষুণ
আহিছিল.....।



# কিবা যেন এক নোহোৱা হ'ল

ড° বনিমা তালুকদাৰ
উত্তৰ গুৱাহাটী মহাবিদ্যালয়

বহুদিন হ'ল আকাশখনলৈ চোৱা নাই.....
নিশাৰ তৰাবোৰৰ সৈতে কথা পতা নাই..
জোনাক নিশা চোতালত পাটি পাৰি আইতাৰ সাধুবোৰ শুনা নাই.....
নিশাৰ আন্ধাৰত জোনাকী পৰুৱা নেদেখা বহুদিনে হ'ল ....
নিশাৰ নীৰৱতা ভাঙিবলৈ জিলিৰ মাত নোহোৱা হ'ল....
সকলোবোৰ যেন ক'ৰবাত হেৰাই গ'ল।
কিবা যেন এক সলনি হ'ল।
ব্যস্ততাৰ গৰাহত আমিবোৰ।
আহৰি নাই জীৱনক উপভোগ কৰাৰ.....
বিশ্বায়নৰ বতাহত নিমজ্জিত আমিবোৰ....
চৰাইৰ কোলাহল শুনাৰ বাবে আমাৰ যেন সময়ৰ বৰকৈ অভাৱ....
কৃত্ৰিম পৃথিৱী এখনত বসবাস কৰিছো আমি....
প্ৰতিযোগিতাৰ দৌৰত খালী দৌৰিছো আমি.....
আজি ঘৰবোৰ লৈ আলহী নহা হ'ল।
মানুহৰ ঘৰলৈ মানুহবোৰ নোযোৱা হ'ল।
ব্যস্ততাপূৰ্ণ জীৱনত নিশা মানুহবোৰ সোমাই থকা হ'ল নিজৰ নিজৰ কোঠাত
এই সময়খিনিও ঘৰৰ মানুহৰ লগত ভগাই লোৱা সময়ৰ অভাৱ হ'ল....
ক্ৰমে সময়বোৰ অতিবাহিত কৰা হ'ল সামাজিক মাধ্যমত ....
সঁচাই, কিবা যেন এক নোহোৱা হ'ল..।

ম'বাইল ঃ ৯৪৩৫১-৪৪৭৯৪

# নিবেদন

আয়শা ছিদ্দিকা (আছৰি)
বাংলিপাৰা,বৰপেটা

অশ্ৰুসিক্ত নয়ন দুটিৰ আৰ্তনাদ
কোনে বাৰু দেখিব আহি
ব্যস্ত নগৰীৰ ব্যস্ত জনতা সবে
কোনে বাৰু ক্ষন্তেক জিৰাব বহি...
মায়াময় এই ধৰিত্ৰীৰ কুল নাপাই
চকুলোৰেই গভীৰ পানীত
সাঁতুৰি সাঁতুৰি ক্লান্ত হৈ ভাগৰি
বিলীন হয় নিৰ্জন নিশাৰ টোপনিত.....
ৰৌদ্ৰতাপে উত্তপ্ত কৰে মাটি পানী
শীতলতা বিচাৰি বিচাৰি হয়ৰান
মোৰ হৃদয় যে তপত অগ্নিকুণ্ড
বাৰু শীতলতা বিচাৰিম মই ক'ত....
তোমাৰ মৃদু কোমল মিঠা মাতৰ
দৰৱ দিয়াচোন মোক আহি
মই যে শয্যাশায়ী তোমাৰ অভাৱত
মৰমৰে শেষ বিদায় জনোৱা....।

ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮



# কিয় এনে হয়

মীৰা কোঁৱৰ

হৃদয়খন ভাগি গ'ল জানা
তোমাৰ এটি মাত্ৰ কথাতে
বহু দিনৰ সপোন অকালতে হেৰাই গ'ল,
তুমি দিয়া মৰমবোৰ
প্ৰকৃততে কি আছিল বাৰু?
আধৰুৱা কিয় হ'লো মই??
পানী-বতাহ পাই লহপহকৈ বাঢ়িবলৈ
সাহস পাইছিলো এদিন ফুলাৰ আশাত, তোমাৰ আশাতেই
কিন্তু হঠাৎ কিয় এনে হ'ল?
পানীবোৰ? বতাহবোৰ?

আজি মই আঁতৰি আহিলোঁ জানা
তোমাৰ কাষৰ পৰা
সংগ্ৰামী জীৱনটো জীপাল কৰি ৰখা স্বভাৱজাত
স্বাভিমানক নুবুজাৰ বাবেই,
প্ৰতিভাৰ কুমলীয়া চুপহীৰ কোমল
হাঁহিক আদৰি নোলোৱাৰ বাবেই
এবুকুৰ ভঙা কলিজা লৈ
তোমাৰ কাষৰ পৰা
কেৱল তোমাৰ কাষৰ পৰাই
আঁতৰি আহিলো চিৰ দিনলৈ
এটি মাথোঁ প্ৰশ্ন দুচকুত লৈ
কিয় বাৰু এনে হয়?
কিয় এনে হয়?

# অস্ত্ৰধাৰ

জ্যোতিস্মিতা বৰা

অস্ত্ৰ তুলি লোৱা হাতত অৰুন্ধতী
শিৰত পিন্ধি লোৱা দীঘল আয়ুসৰেখা
যি পাষণ্ডই পেলালে মোহাৰি
বক্ষ ফালি উলিয়াই আনা ৰক্তৰ ধাৰ।
য'ত অপমৃত্যু হয় পৰাণৰ এমুঠি গান
বিভৎস আৰ্তনাদ কৰি চিঞৰি উঠে
জীৱনৰ ৰঙীন তান।
বৈতৰণীৰ সিপাৰে চিঞৰি উঠে
সভ্যতাৰ মুখা পিন্ধা এজাক নৰপিশাচে
স্ব-মৃত্যুৰ আগজাননী শুনি মৰাৰ যন্ত্ৰণা কোনে বুজে।
মানুহে মানুহৰ জীৱন কেনেকৈ কাঢ়ে।
পাশৱিকতাৰ ছায়া সনা মেঘঘন আকাশত
কেৱল আজি বাৰুদে গৰ্জে।
অৰুন্ধতী
কিহৰ তাৰণা বোৱাইছা লোতক
অস্ত্ৰৰে কাঢ়ি লোৱা পাষণ্ডৰ কেঁচা মঙহ...।

ম'বাইল ঃ ৮৪৭৪৮-৯৪৫৩৬

# শব্দবোৰ হেৰাব নেকি

যমুনা দুলু বৈশ্য
শুৱালকুছি

বাউলী হৈ আহিছে ধুমুহা
বুকুত সাঁজে ভালপোৱাৰে
বিচিত্ৰ শিহৰণত হাউলি পৰা
শব্দবোৰ এতিয়া বট বৃক্ষৰে আৰৰে।

বিষণ্ণ আবেলিটো শৃংগাৰ ফোঁটৰে
সংজ্ঞা বিচাৰি খামুচি ধৰিছে শিপা
বিনাশ নহ'বলৈ দাপোণত বন্দী
শব্দবোৰ হেৰাব নেকি?

কোনে জানিব নিজৰ মাজতে
ইতিবৃত্তৰে আজন্মৰ আশা
সময়ৰ স'তে এখোজ আগলৈ
সপোনত থাকিব লাগে পৰিকল্পনা।

# হেৰোৱা সপোনৰ সুৱাস

নাচিমা য়াচমিন
বিশ্বনাথ চাৰিআলি

নিশাৰ নিবিড় নীৰৱতাত
স্বপ্নবোৰো আজি বাউলী, শব্দহীন;
বতাহে কৈ যায় যেন
বেদনাৰ এটি এটি কৰুণ সুৰ।
লিখি থওঁ স্মৃতিৰ পাতত,
হেৰাই যোৱা এটি কাহিনী
য'ত এদিন ফুলিছিল কৃষ্ণচূড়া, বেঙুনী এজাৰ।

ম্লান হ'ল সেউজীৰ দীপ্তি,
চেতনাত নিঃশেষ এক নিৰ্বাক ভাষা;
জোনাকৰ আঁচলতো নাই আজি
সপোনৰ পুৰণি আভা।

তথাপিও ৰওঁ, প্ৰতীক্ষাৰ শিকলিৰে,
স্বপ্ন-ছাঁত হেৰোৱা কল্পলোকৰ সুখ।
হয়তো এদিন-নিবিড় প্ৰভাতত,
ফুলি উঠিব কৃষ্ণচূড়া, এজাৰ
আনিব পুনৰ হেৰোৱা সপোনৰ সুৱাস।

ম'বাইল ঃ ৭০৯৯৩-৮৯৭৫৫

# নদীখন আহে

বলিন বৰদলৈ
আলামি, গোলাঘাট

নদীখন আহে মোৰ গাঁও, 'আলামি' লৈ
মাহেকে-পষেকে, বছৰে-বছৰে
আপোনজনৰ সীৰলুৰ সপোন কাঢ়িবলৈ।

নভৰা হ'ল ভঁৰাল বানে গৰকাৰ পৰা
তোলাং ঘৰখন, গাঁওখন
এতিয়া তেওঁলোকৰ পানীত হাঁহ নচৰা অৱস্থা।
আজিকালি নদীয়ে নিয়ম নামানে
মানুহ প্ৰকৃতি বিৰোধী প্ৰকৃতিও মানুহ বিৰোধী
সুখৰ দিনতো আহে দুখৰ দিনতো ...।
জানাইতো বান নদীৰ নিজস্ব অধিকাৰ।
সময়তো আহে অসময়তো আহে
সুখ-দুখৰ বতৰা ল'বলৈ
প্ৰাণ খুলি প্ৰাণৰ কথা হ'বলৈ
বহু দিনৰ মূৰত প্ৰাণৰ প্ৰেয়সীক (পথাৰ)
এবাৰ চাবলৈ
পৰিণতি শোক-সন্তপ্ত কৃষক ৰাইজৰ চকুপানী।
কৃষক মোৰ আপোন, আপোন সেউজ সপোন
সেউজী বসুন্ধৰা গঢ়াৰ চৰ্ত আছে তেওঁলোকৰ -
হে নদী, নিদিবা ক্ষয়িষ্ণু কংকাল সপোন যাচি।
তুমি আহা মোৰ গাঁৱলৈ
অনুৰ্বৰ পথাৰক পলস কৰৰেৰে উৰ্ব্বৰাৰলৈ
কৃষক-পথাৰে আছে আশাপালি এতিয়া...।

ম'বাইল ঃ ৯৪০১৮-৭৬৭২৮

# আহাৰৰ দুপৰীয়া

প্ৰভাত বণিয়া

শৰীৰ ঘামত তিতিছে
গৰমে জুলাকলা খুৱাইছে
নৈ পৰীয়া গো-বাট নৈখনে গুজৰি গুমৰি
ভহাই লৈ গৈছে পুৰাতন ক্ষোভ
পকা জলকীয়া ৰঙৰ ৰ'দ এসোপাই
দহিছে পাৰেমানে
কত আছা সোণজনী
তোমালৈ বৰকৈ মনত পৰিছে।
পকা সুমথিৰা যেন তোমাৰ কুন্দত কটা মোহনীয়া মুখনি

সৰু সৰু কৈ ঘাম সৰি পৰিছে
গৰমে দহিছে মোক
আজি
আহাৰৰ ভৰ দুপৰীয়া।

# জীৱনৰ মূল্য

প্ৰান্তিক শৰ্মা
জাজৰি, নগাঁও

উশাহবোৰ তেতিয়া চুটি হয়
যেতিয়া সময়বোৰো
শ্বাসৰুদ্ধকৰ হয়।
মৃত্যুৰ দুৱাৰদলিত
যেতিয়া জীৱন মৰণৰ
সংগ্ৰাম চলে
তেতিয়া সংগ্ৰামী জনে
উপলব্ধি কৰে
জীৱনৰ মূল্য কিমান।
ক্ষন্তেকীয়া আবেগ কিছু
আসুৰিক তৃপ্তিৰ উদ্দেশ্যে
নিজৰ লগতে আনজনৰ
জীৱন নিশেষ কৰাতো
কিমান ভয়াবহ সেইতো
অনুতপ্ত জনে পলমকৈ
বুজি উঠে।
দুদিনীয়া জীৱন নাটকখনত
আমাৰ অভিনয়বোৰ
বৰ চকুত লগা।
বেছিকৈ পোৱাৰ মোহত
কাৰোবাক হৰুৱাৰ সুখত
আমি নিজক ইমানেই
তললৈ লৈ যাওঁ
সেইয়া ভাবিলে লাজ লগা কথা।
পথৰ কাষৰ ভোকাতুৰ
বস্ত্ৰৰ অভাৱত থকা নাগৰিকজনৰ
কাষত থিয় দিয়ক
তেতিয়া বুজিব জীৱনৰ মূল্য

জীৱনৰ বিয়লী বেলাত
এযাৰি মাত
এপিয়লা চাহৰ আশাত
থকা সেই বৃদ্ধজনৰ
মুখেৰে শুনক।
জীৱন নাট শেষ কৰি
আমি খালী হাতেৰেই
উভতিব লাগিব
কোনোদিন ঘূৰি নহাৰ বাটেৰে।
তথাপি আমি ব্যস্ত আছোঁ।
আৰু কিছু পোৱাৰ অপেক্ষাত
কাৰোবাক দমন কৰি
নিজে সকলোৰে উৰ্দ্ধত
হোৱাৰ দৌৰত।
যি শ্মশানৰ বাকৰিত
উজাগৰী নিশা কটোৱা নাই
চিকিৎসালয়ৰ চৌহদত
নিথৰ মৃতদেহৰ কাষত
আত্মীয়ৰ হিয়া ভগা
কান্দোন দেখা নাই
তেওঁ কি বুজিব
জীৱনৰ মূল্য।

ম'বাইল ঃ ৯৫৭৭৪৭৭৯৭৯

*প্ৰথম পৃষ্ঠাৰ পৰা*

## ৰে'ল পৰিবহণৰ সমস্যা দূৰীকৰণৰে আন্তঃগাঁথনি সম্প্ৰসাৰণৰ আহ্বান মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

তাপবিদ্যুৎ প্ৰকল্পসমূহৰ বাবে নিৰৱচ্ছিন্নকৈ কয়লা সৰবৰাহৰ বিষয়টোক লৈওঁ মুখ্যমন্ত্ৰীগৰাকীয়ে বিভাগীয় মন্ত্ৰী ৰেড্ডীৰ সৈতে আলোচনাত মিলিত হয়। এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি ড° শৰ্মাই মাৰ্ঘেৰিটাত থকা কয়লাখনিসমূহৰ সম্প্ৰসাৰণৰ বাবেও মন্ত্ৰী ৰেড্ডীক অনুৰোধ জনায়। কয়লাৰ পৰা অধিক ৰাজহ সংগ্ৰহ কৰিব পাৰিলে ৰাজ্যত উন্নয়নমূলক কাম-কাজ ত্বৰান্বিত হ'ব বুলি তেওঁ আশা ব্যক্ত কৰে। ৰেড্ডীয়েও অসমৰ অৰ্থনীতিক উজ্জীৱিত কৰিবলৈ ৰাজ্যৰ কয়লা আৰু খনিখণ্ডক প্ৰয়োজসমূহ পূৰণৰ কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। বৈঠকৰ পিছত নিজৰ এক্স হেণ্ডেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় প্ৰাচুৰ্যতাৰে পৰিপূৰ্ণ অসমৰ খনিজ সম্পদৰ সদ্ব্যৱহাৰ বিষয়টোক লৈ তেওঁ বিভাগীয় মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। ইয়াৰ বাবে পাৰস্পৰিক সহযোগিতাক শক্তিশালী কৰি তোলাৰ ওপৰত মুখ্যমন্ত্ৰীৰ ড° শৰ্মাই গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে মন্ত্ৰী ৰেড্ডীৰ সৈতে আলোচনাকালত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰণালয়ৰ শীৰ্ষ বিষয়াসকলৰ উপৰি ৰাজ্যৰ মুখ্য সচিব ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব কে কে দ্বিবেদী আৰু অসম ভৱনৰ আৱাসিক আয়ুক্ত কবিতা পদ্মনাভনো উপস্থিত থাকে। আলোচনাকালত মন্ত্ৰী ৰেড্ডীৰ বিভাগীয় বিষয়াসকলে অলপতে অৰ্থনৈতিক বিষয়ক সম্পৰ্কিত কেবিনেট কমিটীয়ে দেশৰ শক্তি নীতিৰ পুনৰীক্ষণৰ বাবে প্ৰদান কৰা অনুমোদনৰ কথা ব্যক্ত কৰে। বৈঠকত দেশৰ কয়লা খণ্ডৰ সংস্কাৰৰ জৰিয়তে তাপবিদ্যুৎ প্ৰকল্পসমূহত কয়লা আবণ্টনৰ ক্ষেত্ৰত স্বচ্ছতা অৱলম্বন কৰাৰো পোষকতা কৰা হয়। উল্লেখ্য যে ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতে এক নিযুত টনতকৈও অধিক কয়লা উৎপাদন কৰিবলৈ সক্ষম হৈছে বুলি চৰকাৰী বিবৃতিত প্ৰকাশ পাইছে। কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীক সাক্ষাতৰ পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতেও ৰে'ল ভৱনত আন এখন আলোচনাত মিলিত হয়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰিবহণ ব্যৱস্থাত থকা সমস্যাসমূহ দূৰ কৰিবলৈ ৰে'লৰ আন্তঃগাঁথনি সম্প্ৰসাৰণ কৰাৰ লগতে উন্নত ৰে'ল যোগাযোগ ব্যৱস্থাৰ বাবে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ তথা কাৰ্যপ্ৰণালী অধিক কাৰ্যক্ষম কৰি তোলাৰ ওপৰত এই আলোচনাত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকৰ পিছত ৰাজ্য চৰকাৰে এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি আলোচনাকালত মন্ত্ৰী বৈষ্ণৱে স্বীকাৰ কৰে যে অসমক লজিষ্টিক হাৰ হিচাপে গঢ়ি তুলিবলৈ ৰে'লক আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ লগতে ইয়াৰ সম্প্ৰসাৰণৰ প্ৰয়োজন আছে। বৈষ্ণৱৰ সৈতে হোৱা আলোচনাতো ৰাজ্যৰ মুখ্য সচিব, মুখ্যমন্ত্ৰী প্ৰধান সচিব আৰু অসম ভৱনৰ আৱাসিক আয়ুক্ত উপস্থিত থাকে।

## ওদালগুৰিত মথাউৰিৰ কামৰ বুজ লয় মন্ত্ৰী পীযুষ হাজৰিকাই

শক্তিশালী কৰিবলৈ জিঅ'-বেগ আৰু পাৰ্কুপাইনৰে ব্যৱহাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ বানপানী সমস্যা প্ৰায় নোহোৱা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে বাৰিষাৰ পিছত এই স্থানত জিঅ' মেগা টিউব স্থাপন কৰা হ'ব আৰু দীৰ্ঘম্যাদী বানপানীৰ সুৰক্ষা নিশ্চিত কৰিবলৈ পৰ্যায়ক্ৰমে অতিৰিক্ত ব্যৱস্থা লোৱা হ'ব। তেওঁ বাৰিষাৰ পিছত নদীখনৰ বিপৰীত দিশতো এই প্ৰকল্প সম্প্ৰসাৰণ কৰাৰ পৰিকল্পনাৰ কথাও উল্লেখ কৰে, যাৰ ফলত অঞ্চলটোৰ ব্যাপক সুৰক্ষা সুনিশ্চিত হ'ব। উপস্থিত থকা বিষয়াসকলে মন্ত্ৰীগৰাকীক নিৰ্মীয়মান মথাউৰিটোৰ সম্পৰ্কে আৰু ভৱিষ্যত পৰিকল্পনা বিষয়ে অৱগত কৰে। ইয়াৰ ভিতৰত বাৰিষাৰ সময়ছোৱাত গাঁথনিগত মূল্যায়নৰ বাবে বৰ্তমান স্থাপন কৰা নিৰীক্ষণ ব্যৱস্থাসমূহো অন্তৰ্ভুক্ত। বিভাগটোৱে পৰৱৰ্তী পৰ্যায়ৰ কামৰ পৰিকল্পনা কৰিবলৈ বৰ্তমানৰ আঁচনিসমূহৰ মূল্যায়ন কৰি আছে বুলি জনায়। মন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ সময়ত বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ লগতে জলসম্পদ বিভাগৰ মুখ্য অভিযন্তাকে ধৰি অন্যান্য বিষয়াসকল উপস্থিত থাকে।

## ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলনৰ দ্বিতীয়দিনা আলোচনা সত্ৰত উদ্যোগ মন্ত্ৰী বিমল বড়া

বাণিজ্যৰ সম্ভাৱনাৰ কথা উল্লেখ কৰে। অসমৰ অৰ্থনৈতিক বিকাশৰ ছবিখন দাঙি ধৰি চাহ পাতৰ লগতে নেমুটেঙা লণ্ডনলৈ ৰপ্তানি হোৱাৰ বিষয়ে ব্যক্ত কৰি অসমৰ কৃষিজাত দ্ৰব্যৰ পৰা আৰম্ভ কৰি বস্ত্ৰখণ্ডলৈ ৰপ্তানি বাণিজ্যৰ সম্ভাৱনীয়তাৰ এক ৰূপৰেখা উদ্যোগ মন্ত্ৰী গৰাকীয়ে ভাষণত প্ৰতিফলিত কৰে। অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ শিল্প দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই অসম তথা সমগ্ৰ উত্তৰ পূৰ্ৱৰ থলুৱা হাতে বোৱা বস্ত্ৰ শিল্পৰ চহকী পৰম্পৰাৰ কথা উল্লেখ কৰি ৰপ্তানি বাণিজ্যৰ দিশত ইমাম সম্ভাৱনীয়তাৰ কথা ভাষণত ব্যক্ত কৰে। এই আলোচনা সত্ৰত অসমৰ চাহ উদ্যোগী প্ৰভাত বেজবৰুৱাই সাম্প্ৰতিক চাহ উদ্যোগৰ এক ছবি দাঙি ধৰি ৰপ্তানিৰ সন্দৰ্ভত কিছু কথা প্ৰকাশ কৰে। এই আলোচনাত কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ ৰাজ্য মন্ত্ৰী জিতিনও প্ৰসাদেওঅংশগ্ৰহণ কৰে। উল্লেখ্য যে দুদিনীয়া ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলনত অংশগ্ৰহণ কৰি উদ্যোগ মন্ত্ৰী বিমল বড়াই কেবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে দেশ-বিদেশৰ বহু বিনিয়োগকাৰীৰ সৈতে কেবাখনো বৈঠকত মিলিত হয়।

## কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ গুলীত প্ৰাণ হেৰুওৱা গুজৰাটৰ ছুৰতৰ শৈলেশভাই হিম্মতভাই কালাঠিয়াৰ

সুদূৰ অসমৰ পৰা আহি গুজৰাটৰ পৰিয়ালটিৰ দুখৰ সমভাগী হোৱাৰ বাবে ভুক্তভোগী পৰিয়ালটিৰ হৈ প্ৰয়াত শৈলেশভাই কালাঠিয়াৰ পিতৃ হিম্মতভাই কালাঠিয়া আৰু পত্নী শীতলবেহেনে মন্ত্ৰী হাজৰিকাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সমূহ অসমবাসীক আন্তৰিক কৃতজ্ঞতা জনায়। উল্লেখ্য যে মন্ত্ৰী পীযুষ হাজৰীকাই গুজৰাটৰ ভাৱনগৰ ভ্ৰমণ কৰি 'পেহেলগাম সন্ত্ৰাসবাদী কাণ্ড'ৰ আন দুগৰাকী ভুক্তভোগীৰ পৰিয়ালক সমবেদনা জনাব।

# যতীন গোস্বামীলৈ পদ্মভূষণ, ৰেৱকান্ত মহন্ত আৰু গীতা উপাধ্যায়লৈ পদ্মশ্ৰী

**নতুন দিল্লী ঃ** ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত পদ্ম বঁটা অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে নৃত্যচাৰ্য যতীন গোস্বামীক পদ্মভূষণ আৰু ৰেৱকান্ত মহন্ত আৰু গীতা উপাধ্যায়ক পদ্মশ্ৰী প্ৰদান কৰে। সত্ৰীয়া নৃত্যৰ সংৰক্ষণ, বিকাশ আৰু জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত অপৰিসীম অৱদানৰ বাবে ভাৰতৰ তৃতীয় সৰ্বোচ্চ অসামৰিক বঁটা পদ্মভূষণ লাভ কৰে প্ৰবীণ সত্ৰীয়া প্ৰতিনিধি নিত্যচাৰ্য যতীন গোস্বামীয়ে। ১৯৩৩ চনৰ ২ আগষ্টত জন্মগ্ৰহণ কৰা গোস্বামীয়ে পিতৃৰ অধীনত প্ৰশিক্ষণ আৰম্ভ কৰে আৰু পিছলৈ মণিৰাম দত্ত মুক্তিৰ আৰু ৰোশ্বেশ্বৰ শইকীয়া বৰবায়নৰ দৰে বিশিষ্ট গুৰুৰ অধীনত শিক্ষা লাভ কৰে। কলাগুৰু বিষুওপ্ৰসাদ ৰাভাৰ ওচৰতো তেওঁ লোকসংগীত, নৃত্য, অংকিয়া নাট আয়ত্ত কৰি প্ৰশিক্ষণ লৈছিল। শিৱসাগৰৰ খাটপাৰা সত্ৰৰ সত্ৰাধিকাৰ ৰেৱকান্ত মহন্তক মুখা নিৰ্মাণৰ বাবে পদ্মশ্ৰীৰে সন্মানিত কৰা হয়। ১৯৩৫ চনৰ ১৯ এপ্ৰিলত জন্মগ্ৰহণ কৰা মহন্তই পিতৃৰ পৰা মুখা নিৰ্মাণৰ জটিল কলা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছিল আৰু তেতিয়াৰ পৰাই ইয়াক বিশ্বব্যাপী স্বীকৃতিলৈ উন্নীত কৰিছে। তেওঁৰ মুখাসমূহ সমগ্ৰ ভাৰত, ৰাছিয়া, জাপান, অষ্ট্ৰেলিয়া, আৰু আমেৰিকাৰ সংগ্ৰহালয়সমূহত প্ৰদৰ্শিত হৈছে। বিখ্যাত লেখিকা, অনুবাদক, শিক্ষাবিদ গীতা উপাধ্যায়ক সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে পদ্মশ্ৰী বঁটা প্ৰদান কৰা হয়। ১৯৩৯ চনৰ ১৪ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা উপাধ্যায় অসমৰ গোৰ্খা সম্প্ৰদায়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী মহিলা হিচাপে পৰিগণিত হয়।

# পেহেলগামত নিহত কৰ্ণাটকৰ লোকৰ নিকটাত্মীয়ক অসম চৰকাৰৰ সাহায্য প্ৰদান মন্ত্ৰী বিমল বড়াৰ

## শিৱমোগ্গা আৰু বাংগালুৰুত তিনিটা পৰিয়ালক সাক্ষাৎ

**গুৱাহাটী ঃ** জম্মু-কাশ্মীৰৰ পেহেলগামৰ বৈচাৰণ ভেলীত যোৱা ২২ এপ্ৰিলত সন্ত্ৰাসবাদীৰ গুলীচালনাত নিহতসকলৰ নিকটাত্মীয়ক আৰ্থিক সাহায্য প্ৰদান কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণা অনুসৰি ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াই কৰ্ণাটত উপস্থিত হৈ তিনিটা পৰিয়ালক সাহায্যৰ ধন প্ৰদান কৰে। উদ্যোগ মন্ত্ৰী বড়াই প্ৰথমে বাংগালুৰুৰ পৰা শিৱমোগ্গাত উপস্থিত হৈ পোনে পোনে পেহেলগামত নিহত মঞ্জু নাথ ৰাওৰ বাসগৃহলৈ গৈ পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপনৰ লগতে মৃতকৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। বাসগৃহতে মন্ত্ৰী গৰাকীয়ে মঞ্জুনাথ ৰাওৰ পত্নী পল্লৱী ৰাওৰ হাতত অসমৰ মুখ্যমন্ত্ৰীৰ হৈ সাহায্য ৰাশি পাঁচ লাখ টকাৰ চেক  প্ৰদান কৰে। মন্ত্ৰী বড়াই ৰাওৰ পৰিয়ালবৰ্গৰ সৈতে মত বিনিময়ো কৰে। পিছবেলা বাংগালুৰুত উপস্থিত হৈ উদ্যোগ মন্ত্ৰী বড়াই পেহেলগামৰ নাটকীয় ঘটনাৰ অন্যতম বলি ভাৰতভূষণ (৩৫) ৰ গৃহলৈ যায়। তাত পৰিয়ালবৰ্গক সাক্ষাৎ কৰে আৰু অসম চৰকাৰৰ তৰফৰ পৰা  সাহায্য পুঁজিৰ পাঁচ লাখ টকাৰ চেক মৃতকৰ পত্নী সুজাতাৰ হাতত প্ৰদান কৰে। ইয়াৰ পিছতে মন্ত্ৰী বড়াই সন্ত্ৰাসবাদীৰ হাতত নিহত চহৰখনৰ অন্য এগৰাকী ব্যক্তি তথা আই বিএমৰ জ্যেষ্ঠ স্থপতিবিদ চমিছেট্টি মধুসুদন ৰাৱৰ বাংগালুৰুস্থিত বাসগৃহত উপস্থিত হৈ পৰিয়ালবৰ্গক গভীৰ সমবেদনা প্ৰকাশ কৰাৰ লগতে মৃতকৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মন্ত্ৰী গৰাকীয়ে ৰাৱৰ পত্নী কামাক্ষীৰ হাতত অসম চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা পাঁচ লাখ টকাৰ চেক প্ৰদান কৰাৰ লগতে মত বিনিময়ো কৰে। মৃতকৰ পৰিয়ালক সাহায্যৰ ধন ৰাশি প্ৰদানৰ সময়ত মন্ত্ৰী বড়াৰ সৈতে অসম চৰকাৰৰ সচিব কৈলাশ কাৰ্তিকো উপস্থিত আছিল।

# ডাঙৰ মানুহ আৰু সৰু মানুহৰ প্ৰভেদ কেনেকৈ জানিব ?

■ **শৈলেন কুমাৰ,** মিৰ্জা

**ডা**ঙৰ মানুহ বুলি ক'লে সাধাৰণতে আমাৰ মনত কোনবোৰ মানুহৰ ছবি আহে? যিবোৰ মানুহ সম্পত্তিশালী, প্ৰভাৱশালী, ক্ষমতাশালী ধনৰবল আৰু জনবল যিবোৰৰ হাতত থাকে, সেইসকল সম্প্ৰতি সময়ত আমাৰ দৃষ্টিত ডাঙৰ মানুহ নহয়নে? কিন্তু সঁচাকৈ সিহঁতবোৰ ডাঙৰ মানুহ হয়নে? সময়ৰ লগে লগে মানুহৰ চিন্তাধাৰা লগতে দৃষ্টিশক্তিও সলনি হয়। এটা সময় আছিল যেতিয়া আমাৰ দৃষ্টিত গুণীজ্ঞানী শিক্ষিত সকলক আমি আমাৰ আদৰ্শ হিচাপে লৈছিলোঁ। অতি সহজসৰল জটিলতা, কৃত্ৰিমতা নোহোৱা সেইসকল লোক সমাজত তথা জনকল্যাণৰ হকে উচৰ্গিত তেওঁলোকৰ জীৱন আছিল। সমাজ জীৱনত তেওঁলোকে কেতিয়াও আত্মসন্মান হেৰুৱাব লগা নহৈছিল। সেইসময়ত মানুহৰ অন্তৰত দয়ামমতা সহিষ্ণুতা তেওঁলোকৰ স্বভাৱ আছিল। নিজস্ব আদৰ্শ তেওঁলোকৰ জীয়াই থকাৰ সম্বল আৰু অতি সাধাৰণ তেওঁলোকৰ জীৱনযাপন। তেতিয়া মানুহে কষ্টত চলিছিল যদিও মনত আত্মসন্তুষ্টি আছিল। অসাধাৰণ তেওঁলোকৰ কৰ্মৰাজী আৰু সাধাৰণ জীৱনযাপন। তেতিয়াৰ মানুহৰ মন আৰু কথা ভেজাল নাছিল। ইজনে আনজনক শ্ৰদ্ধা সন্মান যাঁচিব জানিছিল। কিন্তু এতিয়া তেনেকুৱা জীৱনযাপন কল্পনা কৰিব পাৰি কিন্তু বাস্তৱত আমি নিজস্বতা হেৰুৱাই পংগুত্বৰ জীৱন জীয়াই আছোঁ। এটা কাহিনীৰ আধাৰত আমি কথাখিনি বিশ্লেষণ কৰি চাওঁ আহক। এজন লোকে টকাৰ অভাৱত চৰম সিদ্ধান্ত লোৱাৰ কথা ভাবি চিপজৰী হাতত লৈ জীৱনটোত টকাৰ অভাৱত পোৱা দুখকষ্টৰ বাবে নিজকে গৰিহণা দি থকাৰ মূহূৰ্তত, এজন সাধুলোক তেওঁৰ ওচৰত উপস্থিত হ'ল। সাধুলোক জনে আত্মহত্যা কৰিবলৈ ওলোৱা ব্যক্তিজনক পোনপ্ৰথমে তেখেতৰ এটা চকু দান কৰিবলৈ পৰামৰ্শ দিয়ে, যেতিয়া ব্যক্তিজনে কোনোপধ্যেই মান্তি নহ'ল তেতিয়া সাধুলোকজনে ১০ লাখ টকা দিয়াৰ প্ৰস্তাৱ দিলে কিন্তু ব্যক্তিজনে তেতিয়াওঁ সন্মত নহ'লে। তাৰপাছত সাধুলোকজনে ১ কৌটি টকা দিয়াৰ প্ৰস্তাৱ আগত ৰাখিলে। কিন্তু তথাপিও ব্যক্তিজনে চকু দিবলৈ অস্বীকাৰ কৰিলে। তেতিয়া সাধুজনে ক'লে তুমি টকাৰ বাবে আত্মহত্যা কৰিবলৈ ওলাইছা কিন্তু মই তোমাক টকা উপযাচি দিবলৈ ওলাইছোঁ তুমি ল'বলৈ অমান্তি হৈছা। এই কাহিনীটোৰ পৰা আমি কি বুজিবলৈ পালোঁ? ডাঙৰ মানুহ কোন? ডাঙৰ মানুহৰ সংজ্ঞা আমাৰ দৃষ্টিত কি হ'বলৈ পাৰে? স্ববোধ, নিজস্বতাৰ জ্ঞান, আত্ম অৱলোকন অবিহনে কোনো মানুহ ডাঙৰ নহয়। আৰু আমাৰ মনত উদ্ভৱ হোৱা প্ৰশ্ন ডাঙৰ কোন? সৰু কোন? সকলোবোৰ এটা ভ্ৰান্তি স্বৰূপ। সাধাৰণতে কৰ্তাজনক ধ্যান নকৰি যদি আমি কৰ্মখিনিক ধ্যান কৰোঁ তেতিয়া আমি ডাঙৰ সৰুৰ প্ৰভেদ বিচাৰি উলিয়াবলৈ সক্ষমতা অৰ্জিত কৰিব পাৰোঁ।

**ম'বাইল ঃ** ৭০০২৮-১৬১৪৬




Janasanyog RO no 357/25/30-May-25

# কানৈ মহাবিদ্যালয়ত ব্যৱহাৰিক প্ৰশিক্ষণৰ ওপৰত এদিনীয়া কৰ্মশালা ‘শ্ৰেণীকোঠাৰ শেষত বহি থকা ছাত্ৰ-ছাত্ৰীসকলৰো সৃষ্টিশীলতা থাকে’ ঃ কমলজ্যোতি গগৈ



**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** ‘শ্ৰেণীকোঠাৰ শেষত বহি থকা ছাত্ৰ-ছাত্ৰীসকলৰো সৃষ্টিশীলতা থাকে-সেই ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে গৈ এজন ভাল টি.ভি.ৰ এংকৰ বা নিউজ এডিটৰ হ’ব পাৰে, ভাল উকিল হ’ব পাৰে’। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)-ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, আই চি জি পি চি, ব্যৱহাৰিক প্ৰশিক্ষণ কোষ আৰু এমনৰ বিশ্ববিদ্যালয় সম্পৰ্ক কোষৰ যৌথ উদ্যোগত ২১-৫-২০২৫ তাৰিখে অনুষ্ঠিত এদিনীয়া কৰ্মশালাত এমট্ৰণ বিশ্ববিদ্যালয় সম্পৰ্ক কোষৰ উপদেষ্টা কমলজ্যোতি গগৈয়ে এইদৰে কয়। ব্যৱহাৰিক প্ৰশিক্ষণৰ ওপৰত অনুষ্ঠিত কৰ্মশালাখনিত গগৈয়ে কয়- শ্ৰেণীকোঠাৰ শেষত বহা সেই ছাত্ৰ-ছাত্ৰীসকলক ব্যৱহাৰিক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিলে সেই ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে জীৱনত আগুৱাই যাব বুলি মত প্ৰকাশ কৰি কয়- কিবা জনা বা বুজাৰ উৎসুকতা থকা ছাত্ৰ-ছাত্ৰীসকলে জীৱনত উন্নতি কৰিবই। তেওঁ কয়- ছাত্ৰ-ছাত্ৰীসকলৰ স্বকীয় বুদ্ধিমত্তাৰ ভিত্তিত ব্যৱহাৰিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে উচ্চ মানৰ ফলাফল পোৱা যায়। মহাবিদ্যালয়ৰ অধ্যাপিকা ড° এনিশা দত্তই আঁত ধৰা কৰ্মশালাখনিত অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণপ্ৰদান কৰে। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই ব্যৱহাৰিক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে আলোকপাত কৰাৰ লগতে এমট্ৰনৰ এনে সুন্দৰ পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত উপস্থিত থাকি এমট্ৰনৰ অতিৰিক্ত পৰিচালক এহিয়া হুছেইন আৰু এমট্ৰনৰ সমন্বয়ক লোচন বৰাই ব্যৱহাৰিক প্ৰশিক্ষণৰ ওপৰত মননশীল ব্যাখ্যা আগবঢ়ায়। কৰ্মশালাখনিত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, শৈক্ষিক সমন্বয়ক ড° উত্তম মহন, আই চি জি পি চিৰ সমন্বয়ক ড° এনিশা দত্ত, যুটীয়া সহকাৰী সমন্বয়ক ক্ৰমে ড° সুদৰ্শনা বৰা, ড° ফাৰনাজ ৰ’জলিন চাইবা আহমেদ, টিংখাং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৌচুমী গগৈ প্ৰমুখ্যে ডি এইচ এছ কানৈ মহাবিদ্যালয়, দুলীয়াজান মহিলা মহাবিদ্যালয়, টিংখাং মহাবিদ্যালয়, ডি ডি আৰ মহাবিদ্যালয়, খোৱাং মহাবিদ্যালয়, টেঙাখাট মহাবিদ্যালয়, পিথুবৰ মহাবিদ্যালয়, ডিব্ৰু মহাবিদ্যালয়, নাহৰকটীয়া মহাবিদ্যালয় আৰু ৰাজগড় মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° সুদৰ্শনা বৰাই।

# অসম ভিত্তিত গল্প আৰু কবিতা প্ৰতিযোগিতা আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** ‘সদৌ অসম লেখিকা সমাৰোহ সমিতি’ৰ নগাঁও শাখাৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো অসম ভিত্তিত নলিনী দেৱান মৰলৰ স্মৃতিত গল্প আৰু কবিতা প্ৰতিযোগিতা আয়োজন কৰা হৈছে। সেয়েহে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক মহিলা প্ৰতিযোগীসকলক অহা ১০ জুনৰ ভিতৰত নগাঁও জিলা সমিতিৰ সম্পাদিকা প্ৰিয়ম্বদা শইকীয়া বৰা, পুথিঘৰ প্ৰেছ, ঢাকাইপট্টি, নগাঁও- ০১, ফোন নং- ৯৯৫৪০-০৫২৬১ৰ সৈতে যোগাযোগ কৰাৰ লগতে লেখাসমূহ উক্ত ঠিকনালৈ প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে।




# ডিজিটেল টুটকীয়া নে অন্য কিবা

■ বনশ্ৰী শৰ্মা
ছাত্ৰী, অসমীয়া বিভাগ, বি.বৰুৱা কলেজ

**কি**ছুদিন আগতে সামাজিক মাধ্যমত এটা বাতৰি দেখিলোঁ, বাতৰিটো এনে ধৰণৰ যে লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰত স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী এগৰাকীৰ পথ দুৰ্ঘটনাত থিতাতে মৃত্যু হয়। এতিয়া কথাটো এনে ধৰণৰ যে সেই বাতৰিটোৰ মন্তব্যবোৰ চাব নোৱাৰা ধৰণৰ, কোনোৱে যদি কৈছে, ‘মামা আৰু স্কুটি দিয়ক’ আন কোনোৱে আকৌ কৈছে, ‘পাপা কী পৰী উৰি গ’ল’ ইয়াৰোপৰিও অশালীন মন্তব্যবোৰ আছেই। মুঠতে ৯০ শতাংশ মন্তব্যই এনে ধৰণৰ যেন সকলোৱেই দুৰ্ঘটনাটোত ছাত্ৰী গৰাকীৰ মৃত্যু হোৱাত অত্যন্ত সুখী। আনৰ দুখত, আনৰ মৃত্যুত সুখী হোৱা সকলক কি বুলি ক’ব আপুনি? মানুহ বুলিটো কেতিয়াও ক’ব নোৱাৰে, দানৱেই হ’ব লাগিব। অকল এই ঘটনাটো বুলিয়েই নহয়, যিকোনো ঘটনাতেই আমাৰ অধিকাংশ মানুহেই সামাজিক মাধ্যমত এনে কিছুমান মন্তব্য কৰে যিবোৰ মন্তব্য দেখিলে সেই সকলক সুস্থ মগজুৰ মানুহ বুলি ক’বলৈ দ্বিধা হয়। তেওঁলোকৰ মন্তব্যবোৰ দেখিলে এনে লাগে যেন তেওঁলোকে তেওঁলোকৰ আশে-পাশে থকা প্ৰত্যেক মানুহৰ জীৱনত কিবা নহয় কিবা বেয়া সংঘটিত হোৱালৈকেই ৰৈ থাকে, যেন মনে-প্ৰাণে আনৰ বেয়া হোৱাটোৱেই বিচাৰে। আচলতে এইসকল একেবাৰেই অসুস্থ মানসিকতাৰ মানুহ, কিন্তু এনে মানসিকতাৰ মানুহ, এনে মন্তব্য সকলো সময়তে উপেক্ষা কৰিব পৰা বিধৰো নহয়। কেতিয়াবা কিছুমান বিষয়ত এই অসুস্থ মানসিকতাৰ মানুহবোৰে এনে কিছুমান মন্তব্য কৰে যে দেখিলে আপোনাৰো গাৰ নোম শিয়ৰি উঠিব। বৰ্তমান সময়ত সামাজিক মাধ্যমত ভালতকৈ ভুলবোৰ বেছি ক্ষীপ্ৰতাৰে চৰ্চিত হয়, সঁচা-মিছা বাচ-বিচাৰ নোহোৱাকৈয়ে কিছুমান খবৰ এনে ধৰণে প্ৰচাৰ কৰা হয় যে ইয়াৰ পৰিণতিত বহুতৰে জীৱনত আউল লাগি যায় আৰু সেই বিষয় সমূহৰ ওপৰত কৰা অমানুষিক, অশালীন মন্তব্যবোৰেও বহুতৰে মানসিক স্বাস্থ্যত বিৰূপ প্ৰভাৱ পেলোৱা দেখা যায়। কাৰণ প্ৰতিজন ভুক্তভোগী শক্তিশালী নহ’বও পাৰে, কিছুমান অত্যন্ত সংবেদনশীল মানুহো থাকে যিয়ে এইধৰণৰ মন্তব্য সমূহ সহজে ল’ব নোৱাৰে। ঘৰতে বহি মোবাইল ফোনটো হাতত লৈ যিকোনো বিষয়ৰ ওপৰত, যিকোনো এগৰাকী মানুহ সম্পৰ্কে মনত যি আহে তাকেই কৈ দিয়াতো তেনেই সহজ কিন্তু এয়া যে এক প্ৰকাৰ মানসিক অত্যাচাৰ এই কথা তেওঁলোকে নাজানে। আচলতে এনে মানুহৰ হাতত অজস্ৰ সময়, এওঁলোকৰ কৰিবলগীয়া কাম একো নাথাকে বাবেই হাতত মোবাইল ফোনটো লৈ যি মন যায় কৰি থাকে। আগৰ দিনত গাঁৱৰ টুটকীয়াবোৰে ইঘৰৰ কথা সিঘৰত কৈ ফুৰিছিল বা কিবা এটা ঘটনাৰ অলপ উমান পালেই তাত নিজৰ মতে ৰহণ সানি মুখৰোচক কাহিনী একোটা সাজি উলিয়াইছিল কিন্তু এতিয়া যিহেতু সময় সলনি হ’ল, সকলোবোৰ ডিজিটেলাইজড হ’ল সেয়ে টুটকীয়াৰ চৰিত্ৰবোৰতো অলপ সংযোজন ঘটাৰ লগতে নতুনত্বও আহিল। এতিয়া এই অসুস্থ মানসিকতাৰ মানুহবোৰক ডিজিটেল টুটকীয়া বুলিয়েই ক’ব লাগিব।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা